

বিশেষ প্ৰতিবেদনঃ

## মজুৰি, নিৰাপত্তা, মৰ্যদা!

পৃষ্ঠা-১২-১৭



» প্ৰথম বছৰ, সপ্তম সংখ্যা

» ১-১৫অক্টোবৰ, ২০২০

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ

বিশেষ বিষয়ঃ কৃষি আৰু শ্ৰম সংস্কাৰ

## আত্মনিৰ্ভৰ কৃষক; আত্মনিৰ্ভৰ ভাৰত

জনৰৱ আৰু প্ৰতিবাদৰ বাধা নেওচি চৰকাৰৰ যুগান্তকাৰী পদক্ষেপে মধ্যভোগীৰ হাতোৰাৰ পৰা কৃষকৰ স্বাধীনতা সুনিশ্চিত কৰিলে



# বিদায় প্ৰণৱদা...

প্ৰাক্তন ৰাষ্ট্ৰপতি ভাৰতৰত্ন ড০ প্ৰণৱ মুখাৰ্জীৰ ৩১আগষ্ট, ২০২০ত দেহাৱসান হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে তেওঁৰ এক অটুট সম্বন্ধ আছিল। ৰাজহুৱা জীৱনৰ পৰা তেওঁৰ অৱসৰৰ সময়ত প্ৰধানমন্ত্ৰীয়ে এক আৱেগিক বাৰ্তা লিখিছিল, য'ত তেওঁ লিখিছিল-"আপুনি মোৰ বাবে সদায় এগৰাকী পিতৃতুল্য আৰু তত্বাৱধায়ক হৈ থাকিব। আপোনাৰ জ্ঞান, মাৰ্গদৰ্শন আৰু ব্যক্তিগত সান্নিধ্যই মোক বিশ্বাস আৰু শক্তি যোগায়।"

"ভাৰতৰত্ন প্ৰণৱ মুখাৰ্জীৰ বিয়োগত ভাৰত শোকাভিভূত। তেখেতে আমাৰ ৰাষ্ট্ৰৰ বিকাশৰ পথত অবিস্মৰণীয় সাঁচ ৰাখি থৈ গ'ল। তেখেতক এগৰাকী বিদগ্ধ পণ্ডিত আৰু উচ্চপৰ্যায়ৰ ৰাষ্ট্ৰনেতা হিচাপে অভিহিত কৰে। তেওঁ সমগ্ৰ ৰাজনৈতিক পৰিমণ্ডল আৰু সমাজৰ সকলো শ্ৰেণীৰ শ্ৰদ্ধাৰ পাত্ৰ আছিল।"

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী**

# নিউ ইণ্ডিয়া সমাচাৰ

প্ৰথম বছৰ, সপ্তম সংখ্যা

১-১৫অক্টোবৰ, ২০২০

**সম্পাদক**
কুলদীপ সিং ধাতৱালিয়া,
পিডিজি, পিআইবি, নতুন দিল্লী

**পৰামৰ্শদাতা সম্পাদক**
বিনোদ কুমাৰ

**সহযোগী পৰামৰ্শদাতা সম্পাদক**
শৰৎ কুমাৰ শৰ্মা

**অলংকৰণ**
ৰবীন্দ্ৰ কুমাৰ শৰ্মা

**প্ৰকাশন আৰু মুদ্ৰণ**
সত্যেন্দ্ৰ প্ৰকাশ
ডি জি, বি অ' চি,
ব্যুৰ' অৱ আউটৰীচ এণ্ড কমিউনিকেশ্যনৰ হৈ

**মুদ্ৰণ**
ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি-৬৬/৩, অখলাফেজ-২
নতুন দিল্লী ১১০০২০

**ব্যুৰ' অৱ আউটৰীচ এণ্ড কমিউনিকেশ্যন,**

দ্বিতীয় মহলা, সূচনা ভৱন,
নতুন দিল্লী-১১০০০৩ৰ পৰা প্ৰকাশিত

নিউ ইণ্ডিয়া সমাচাৰ

RNI No. : DELASS/2020/78827

response-nis@pib.gov.in

## সূচীপত্ৰ

| | | |
|---|---|---|
| » 1 | সম্পাদকীয় | » 02 |
| » 2 | স্বাস্থ্য: -পুষ্টি মাহ | » 03 |
| » 3 | সংক্ষিপ্ত সংবাদ | » 04-05 |
| » 4 | মহাত্মা গান্ধীৰ জন্মবাৰ্ষিকী | » 06-07 |
| » 5 | বস্ত্ৰ খণ্ডঃ খাদীৰ বিকাশ | » 08-9 |
| » 6 | ৰাষ্ট্ৰঃ বিশ্ব উদ্ভাৱন সূচক | » 10-11 |
| » 7 | বিশেষ প্ৰতিবেদনঃ শ্ৰম সংস্কাৰ | » 12-17 |
| » 8 | প্ৰচ্ছদ নিবন্ধঃ কৃষি সংস্কাৰ | » 18-25 |
| » 9 | পদক্ষেপঃ প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা | » 26-28 |
| » 10 | ৰাজ্যঃ উন্নয়নমূলক আঁচনি | » 29 |
| » 11 | সহায়ৰ হাতঃ পিএম স্বনিধি আঁচনি | » 30-31 |
| » 12 | মিচন কৰ্মযোগীঃ সুপ্ৰশাসনৰ প্ৰচেষ্টাৱলী | » 32-34 |
| » 13 | আত্মনিৰ্ভৰশীলতা: এইচএছটিডিভিৰ শুভাৰম্ভ | » 35 |
| » 14 | ধ্বজাবাহী আঁচনিঃ স্বচ্ছ ভাৰত অভিযান | » 36-38 |
| » 15 | ক'ৰোনাৰ বিৰুদ্ধে যুঁজ | » 39 |
| » 16 | ইতিবাচক দৃষ্টিভংগীঃ পৰিৱৰ্তনশীল ভাৰত | » 40 |

# সম্পাদকৰ মেজৰ পৰা

*সাদৰ নমস্কাৰ,*

এয়া নিউ ইণ্ডিয়া সমাচাৰৰ সপ্তম সংখ্যা। আপোনালোকে নিশ্চয় এই সংখ্যাৰ বাবে আগ্ৰহেৰে বাট চাই আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এখন কৰ্মদক্ষ চৰকাৰে কাম কৰি আছে।

চৰকাৰে প্ৰতিটো ক্ষেত্ৰত দেশক আগুৱাই নিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

পাঠকসকলে ইয়াৰ দ্বাৰা চৰকাৰৰ সিদ্ধান্ত, কাম আৰু আঁচনিসমূহৰ সকলো তথ্য লাভ কৰিব।

এই আলোচনীখন চৰকাৰৰ মুখপত্ৰ নহয়, বৰঞ্চ শুদ্ধ তথ্য প্ৰদানৰ এক মঞ্চ।

গাওঁ পঞ্চায়ত, জিলা পঞ্চায়ত, পঞ্চায়ত সমিতি, গ্ৰন্থাগাৰ, বিধায়ক, সাংসদ, বিষয়া-কৰ্মচাৰী আৰু সাংবাদিকসকলক এই আলোচনী প্ৰদান কৰা হ'ব।

প্ৰায় ৫কোটি লোকে এই আলোচনীৰ ই-বুক পঢ়াৰ সুবিধা লাভ কৰিছে।

আপোনালোকৰ মতামত আৰু পৰামৰ্শৰ বাবে আমি আগ্ৰহেৰে বাট চাই ৰ'লো।

অনুগ্ৰহ কৰি আপোনাৰ প্ৰতিক্ৰিয়া প্ৰেৰণ কৰকঃ

ঠিকনাঃ ব্যুৰ' অৰ আউটৰীচ্চ এণ্ড কমিউনিকেশ্যন, দ্বিতীয় মহলা, সূচনা ভৱন, নতুন দিল্লী-১১০০০৩

ইমেইল : response-nis@pib.gov.in

আপোনালোকৰ আশীষ কামনাৰে

(কে. এছ. ধাতৱালিয়া)



# পোষণ মাহঃ এক জন আন্দোলন

পুষ্টি মাহ হৈছে এনে এক অভিযান যাৰ দ্বাৰা মহিলা, শিশু আৰু জ্যেষ্ঠ ব্যক্তিসকলক গুণগত আহাৰৰ যোগান ধৰা হয়।

## ৰাষ্ট্ৰীয় পুষ্টি অভিযান

- কেন্দ্ৰীয় কেবিনেটে ২০১৭ৰ ডিচেম্বৰত ২০১৭-১৮ বৰ্ষৰ পৰা তিনি বছৰৰ বাবে ৰাষ্ট্ৰীয় পুষ্টি অভিযান (এনএনএমৰ বাবে) আৰম্ভ কৰাৰ বাবে ৯,০৪৬.১৭ কোটি টকাৰ বাজেটত অনুমোদন জনায়।
- প্ৰধানমন্ত্ৰীয়ে ২০১৮ৰ ৮ মাৰ্চত ৰাজস্থানৰ ঝুনঝুনুৰ পৰা পোষণ অভিযান আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল
- এই অভিযানৰ জৰিয়তে ২০২২চনৰ ভিতৰত ২৫ শতাংশলৈ পুষ্টিহীনতা হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে
- ইয়াৰ আন লক্ষ্যবোৰ হৈছে পুষ্টিহীনতা, এনিমিয়া (কিশোৰী, মহিলা আৰু প্ৰাপ্তবয়স্ক যুৱতীৰ) হ্ৰাস আৰু কম ওজনত শিশু জন্মৰ ঘটনাৰ হাৰ হ্ৰাস কৰা
- ২০২১ৰ ৩১ মাৰ্চলৈকে ম্যাদ বৃদ্ধি কৰা এই আঁচনিৰ জৰিয়তে ১০ কোটিতকৈ অধিক লোক উপকৃত হ'ব
- এক উৎকৰ্ষমূলক দৃষ্টিভংগীৰে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ জিলাসমূহক এই অভিযানেৰে সামৰি লোৱা হৈছে

ৰাষ্ট্ৰ আৰু পুষ্টিৰ মাজত ওতঃপ্ৰোতঃ সম্পৰ্ক আছে আৰু জনসাধাৰণৰ মাজত সেই সজাগতা সৃষ্টিৰ লক্ষ্যৰে চৰকাৰে ছেপ্টেম্বৰ মাহটো 'ৰাষ্ট্ৰীয় পোষণ মাহ' বা পুষ্টি মাহ হিচাপে উদযাপন কৰিছে। 'মন কী বাত'ৰ শেহতীয়া সংস্কৰণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক শ্লোক আওৰাই কয় 'যথা অন্নম তথা মান্নম', অৰ্থাৎ মানসিক আৰু বৌদ্ধিক বিকাশ প্ৰত্যক্ষভাৱে গ্ৰহণ কৰা আহাৰৰ সৈতে জড়িত। উপযুক্ত পুষ্টিয়ে শিশু আৰু শিক্ষাৰ্থীসকলক তেওঁলোকৰ সম্ভাৱনা আৰু প্ৰতিভা বিকশিত কৰাত ডাঙৰ ভূমিকা পালন কৰে। তদুপৰি, এগৰাকী পৰিপুষ্ট মাতৃৰ পৰাহে এটি শিশুৱে উপযুক্ত পুষ্টি লাভ কৰে।

প্ৰধানমন্ত্ৰীয়ে গুজৰাটৰ চৰ্দাৰ বল্লভভাই পেটেলৰ ষ্টেচ্যু অব ইউনিটীৰ কাষত এখন পুষ্টি উদ্যান গঢ়ি তোলাৰ সন্দৰ্ভতো সদৰি কৰে। ইয়াত হাঁহি-ধেমালিৰ মাজেৰে পুষ্টি সম্পৰ্কীয় তথ্য লাভ কৰিব পাৰি বুলি তেওঁ কয়।■

## পুষ্টি নিৰীক্ষণ আৰু কাৰ্ড

- ভাৰতীয় পোষণ কৃষি কোষ গঠন কৰা হৈছে। এই কোষৰ হাতত প্ৰতিখন জিলাত পুষ্টিবৰ্ধক শস্যৰ খেতিৰ সন্দৰ্ভত সম্পূৰ্ণ তথ্য থাকিব।



- শিক্ষাৰ্থীৰ মাজত পুষ্টি সজাগতা সম্পৰ্কীয় প্ৰতিযোগিতা অনুষ্ঠিত কৰি এই জন আন্দোলনত বিদ্যালয়সমূহক সামৰি লোৱাৰ প্ৰচেষ্টা লোৱা হৈছে।
- শ্ৰেণীকোঠাৰ নিৰীক্ষকৰ দৰে প্ৰতিটো শ্ৰেণীত পুষ্টি নিৰীক্ষকো থাকিব
- এক পুষ্টি কাৰ্ডৰ শুভাৰম্ভ কৰা হ'ব



## পবিত্ৰ আৰু স্বচ্ছ বাৰাণসী

জনসাধাৰণে স্বচ্ছ গংগা প্ৰতিশ্ৰুতিৰ জৰিয়তে ঘাটসমূহে অতীতৰ গৌৰৱ ঘূৰাই পাবলৈ সক্ষম হৈছে। এই প্ৰচেষ্টাৰ ফলস্বৰূপে স্বচ্ছ সৰ্বেক্ষণ ২০২০ত গংগাৰ পাৰৰ সৰ্বাধিক স্বচ্ছ চহৰ হিচাপে খ্যাতি অৰ্জন কৰে বাৰাণসীয়ে। এগৰাকী পুৰোহিতে কয় যে জনসাধাৰণে ধৰ্মীয় দিশত কোনো সংকোচ নকৰে। ১৪০ এমএলডি আৱৰ্জনা নিষ্কাষণ প্লান্টে গংগাক স্বচ্ছ কৰি তোলাত ব্যাপক সহায় কৰিছে। স্বচ্ছ ভাৰত অভিযানৰ অধীনত নদীৰ সন্মুখ ভাগ পৰিস্কাৰকৈ ৰখাৰ বাবে ২১টা অতি গুৰুত্বপূৰ্ণ আৰু ৬৩টা সাধাৰণ ঘাট হিচাপে শ্ৰেণীবিভাজন কৰা হৈছে। প্ৰতিদিনে ৮-৯ মেট্ৰিকটন আৱৰ্জনা নাৱৰ জৰিয়তে নিস্কাষণ প্লান্টলৈ অনা হয়। এই চহৰখন আনৰ বাবে আদৰ্শস্বৰূপ।

## অস্ত্ৰ-শস্ত্ৰৰ ক্ষেত্ৰত ভাৰত আৰু জাপানৰ কৌশলগত সহযোগিতা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্বিনজো আবেই ভাৰত আৰু জাপানৰ মাজত অস্ত্ৰ-শস্ত্ৰ যোগান আৰু সেৱাৰ পাৰস্পৰিক ব্যৱস্থাসম্পন্ন স্বাক্ষৰিত চুক্তিক আদৰণি জনাইছে। এই সন্দৰ্ভত ভিডিঅ' কনফাৰেন্সিংযোগে আগবঢ়োৱা ভাষণত কয় যে এই চুক্তিয়ে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা খণ্ডৰ সহযোগিতা অধিক সুদৃঢ় কৰাৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰিব। দুয়োগৰাকী নেতাই ভাৰত-জাপান বিশেষ কৌশলগত আৰু বিশ্ব অংশীদাৰিত্বৰ পৰিকাঠামোৰ অধীনত মুম্বাই-আহমেদাবাদ ক্ষিপ্ৰতম ৰে'ল (এমএএইচএছআ)কে ধৰি চলিত সহযোগিতা স্থিতিৰ পৰ্যালোচনা কৰে। তেওঁলোকে সহমত পোষণ কৰে যে ক'ভিডৰ পাছৰ বিশ্বত বিশ্ব সমূদায়ৰ হকে দুয়োখন দেশৰ শক্তিশালী আৰু স্থায়ী সহযোগিতাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ■

## আৰোগ্য সেতুত আপোনাৰ স্বাস্থ্যৰ স্থিতি সঠিক সময়ত পৰীক্ষা কৰক




আৰোগ্য সেতু এপ হৈছে বিশ্বৰ সৰ্বাধিক ডাইনলোড হোৱা কনটেক্ট ট্ৰেচিং এপ, য'ত বৰ্তমান 'অপেন এপিআই ছাৰ্ভিচ' শীৰ্ষক এক নতুন বৈশিষ্ট্য সংযোজন কৰা হৈছে যিটো ভাৰতত পঞ্জীয়ণভুক্ত ৫০ জনতকৈ অধিক কৰ্মচাৰী থকা প্ৰতিষ্ঠান আৰু ব্যৱসায়িক সংস্থাই ব্যৱহাৰ কৰিব পাৰে। তেওঁলোকে 'অপেন এপিআই ছাৰ্ভিচ'ৰ জৰিয়তে কৰ্মচাৰীসকলে প্ৰদান কৰা তথ্যৰ ভিত্তিত তেওঁলোকৰ স্বাস্থ্যৰ স্থিতি সম্পৰ্কে সঠিক সময়ৰ তথ্য লাভ কৰি থাকিব পাৰে। অপেন এপিআই ছাৰ্ভিচৰ জৰিয়তে এই এপ ব্যৱহাৰকাৰীৰ নাম আৰু স্বাস্থ্য সম্পৰ্কীয় স্থিতিহে জানিব পাৰে। এপিআয়ে বাকী কোনো ব্যক্তিগত তথ্য যোগান নধৰে। আৰোগ্য সেতু এপ হৈছে সৰ্বাধিক ডাইনলোড হোৱা কনটেক্ট ট্ৰেচিং এপ, যাৰ ব্যৱহাৰকাৰীৰ সংখ্যা ১৫ কোটিতকৈ অধিক। জনসাধাৰণৰ অভূতপূৰ্ব সঁহাৰিয়ে ক'ভিড-১৯ মোকাবিলা আৰু ব্যৱস্থাপনামূলক প্ৰচেষ্টা গ্ৰহণত আগশাৰীৰ স্বাস্থ্যকৰ্মী আৰু চৰকাৰক সহায় কৰিছে।

## লকডাউনৰ মাজতে জন ঔষধি কেন্দ্ৰত দ্ৰুতগতিত বৃদ্ধি ব্যৱসায়




'সেৱা ভী, ৰোজগাৰ ভী' শীৰ্ষক মূলমন্ত্ৰক সাৰোগত কৰি প্ৰধানমন্ত্ৰী জন ঔষধি যোজনা (পিএমজেএৱাই) ই কম মূল্যতে ঔষধৰ যোগান ধৰি আহিছে। জন ঔষধি কেন্দ্ৰত ঔষধৰ মূল্য বজাৰৰ তুলনাত ৫০ৰ পৰা ৯০ শতাংশলৈকে কম। বজাৰত বিক্ৰী হৈ থকা কৰ্কট ৰোগৰ ৬,৫০০ টকা মূল্যৰ এটা ঔষধ এই কেন্দ্ৰসমূহত ৮০০ টকাতে লাভ কৰে। ক'ভিড-১৯ লকডাউনৰ সময়ত জন ঔষধি কেন্দ্ৰসমূহে চলিত বিত্তীয় বৰ্ষত প্ৰথম ত্ৰিমাসিকতে ১৫০ কোটি টকাৰ ঔষধ বিক্ৰী কৰিছে, যিটো পূৰ্বৰ বছৰৰ একে সময়চোৱাৰ প্ৰায় দুগুণ। ২০২০ৰ ১৫ ছেপ্টেম্বৰলৈকে মুঠ বিক্ৰীৰ পৰিমাণ ২৫৬কোটিতকৈ অধিক হৈছে। জন ঔষধি কেন্দ্ৰৰ গ্ৰাহকৰ ৰাহিৰ পৰিমাণ ১,২৫০ কোটিতকৈ অধিক হৈছে। দেশত ৬,৬০০টা জন ঔষধি কেন্দ্ৰ আছে, য'ত ১,২৫০বিধৰ উপৰি ২৫০ বিধ মান ছাৰ্জিকেল সঁজুলি বিক্ৰী কৰা হয়। লকডাউনৰ সময়ত জন ঔষধি কেন্দ্ৰসমূহে প্ৰায় ১৫ লাখ মাস্ক, ৮০ লাখ হাইড্ৰক্সিক্লৰ'কুইন আৰু ১কোটি পেৰাচিটামল টেবলেট বিক্ৰী কৰিছে। ১টকীয়া মূল্যৰ ৫ কোটিতকৈ অধিক নেপকিনো এই কেন্দ্ৰসমূহত বিক্ৰী কৰা হৈছে।

## নতুন ভাৰতৰ আশ্চৰ্যঃ কলকাতাত পানীৰ তলেৰে যোৱা মেট্ৰ' লিংক




কলকাতাৰ ছল্টলেক চেক্টৰ ৫ৰ পৰা ছল্টলেক ষ্টেডিয়ামলৈকে ১৬.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পানীৰ তলেৰে যোৱা মেট্ৰ' ৰে'ল লিংকৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হৈছে। অত্যাধুনিক নিৰাপত্তা আৰু যোগাযোগ প্ৰযুক্তিসমৃদ্ধ ভাৰতীয় ৰে'লৱেৰ এয়া এক অভিযান্ত্ৰিক আশ্চৰ্য। এই সমগ্ৰ কৰিড'ৰ ব্যৱহাৰৰ বাবে ২০২১ৰ ডিচেম্বৰত সম্পূৰ্ণ হৈ উঠিব। চহৰখনত পৰিবহণ ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰায় ৮,৬০০ কোটি টকা ব্যয়সাপেক্ষ মেট্ৰ' প্ৰকল্পই কলকাতা আৰু হাওৰাক সংযোগ কৰিব।

## স্পৰ্টছ কোটাত চাকৰিৰ সংখ্যা বৃদ্ধি

২০১০ চনৰ ১ ছেপ্টেম্বৰত ক্ৰীড়া মন্ত্ৰালয়ে ২০টা নতুন শাখাৰ খেলুৱৈক স্পৰ্টছ কোটাত চাকৰি প্ৰদানৰ বাবে জনোৱা প্ৰস্তাৱ গ্ৰহণ কৰিছে কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে। প্ৰতিভাবান খেলুৱৈসকলক কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালসমূহত মকৰলৰ তালিকা পূৰ্বৰ ৪৩টা বিভাগৰ পৰা ৬৩টা বিভাগলৈ বৃদ্ধি পালে। এই শাখাসমূহৰ ভিতৰত পৰম্পৰাগত খেল মল্লখম্ব, টাগ-অৱ-ৱাৰ, ছেপাক টাক্ৰ' আৰু ৰোল বল অন্তৰ্ভুক্ত হৈছে । এই সিদ্ধান্তৰ সন্দৰ্ভত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়ামন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, "আমাৰ খেলুৱৈসকলৰ সামগ্ৰিক কল্যাণ সাধন কৰাটো চৰকাৰৰ প্ৰথম দায়িত্ব আৰু তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ডিঅ'পিটিত এই খেলসমূহ অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰা হৈছে।" ■





# ভাৰত আৰু বিশ্বৰ বাবে গান্ধীৰ কিয় প্ৰয়োজন আছে

## প্ৰতিজন নাগৰিকৰ মৰ্যদা আৰু সমৃদ্ধিৰে পূৰ্ণ এখন বিশ্বৰ কল্পনা কৰিছিল মহান নেতাজনে

নৰেন্দ্ৰ মোদী

১৯৫৯ত ভাৰতত পদাৰ্পণ কৰি, ডঃ মাৰ্টিন লুথাৰ কিং জুনিয়ৰে কৈছিল, "আন এক দেশলৈ মই পৰ্যটক হিচাপে যাব পাৰো, কিন্তু ভাৰতলৈ এজন তীৰ্থযাত্ৰী হিচাপে আহিছো"। তেওঁ আৰু কৈছিল, "বোধকৰো, সবাতোকৈ ওপৰত, ভাৰত হৈছে এনে এক ভূমি য'ত অহিংস সামাজিক পৰিৱৰ্তনৰ কৌশল বিকশিত হৈছিল, যাক আমাৰ মানুহে মন্টগ'মেৰী, আলাবামা আৰু দক্ষিণ আমেৰিকাত প্ৰয়োগ কৰিছিল। আমি ইয়াৰ ফলপ্ৰসূতা আৰু স্থায়িত্ব প্ৰত্যক্ষ কৰিছিলো- দৰাচলতেই ফল পাইছিলো!"

ডঃ কিঙে ভাৰতলৈ অহাৰ অনুপ্ৰেৰণা লাভৰ পথ প্ৰদৰ্শকজনেই আছিল মোহনদাস কৰমচান্দ গান্ধী, মহাত্মা, মহান আত্মাৰ গৰাকীজন। গান্ধী জী বা বাপুৰে বিশ্বৰ কেইবা নিযুত লোকক অবিৰত সাহস দি আহিছে।

প্ৰতিৰোধৰ গান্ধীবাদী পদ্ধতিয়ে বহু আফ্ৰিকান ৰাষ্ট্ৰৰ মাজত আশাৰ উদ্দীপনা জগাই তুলিছিল। ডঃ কিঙে কৈছিলঃ "যেতিয়া মই ঘানা, পশ্চিম আফ্ৰিকা ভ্ৰমণ কৰিছিলো, প্ৰধানমন্ত্ৰী এনক্ৰুমাহে মোক কৈছিল যে তেওঁ গান্ধীৰ কৰ্মৰাজি অধ্যয়ন কৰিছে আৰু ইয়াত অহিংস প্ৰতিৰোধ কাৰ্যকৰী কৰিব পৰা যায় বুলি অনুভৱ কৰে। আমি স্মৰণ কৰো যে দক্ষিণ আফ্ৰিকাত বাছ বয়কটো চলি আছিল।" নেলছন মেণ্ডেলাই গান্ধীক "পৱিত্ৰ যোদ্ধা" হিচাপে অভিহিত কৰিছিল আৰু লিখিছিল, "তেওঁৰ অসহযোগৰ কৰ্মপন্থা, তেওঁৰ ব্যাখ্যা যে আমি শাসনকাৰীসকলক সহযোগিতা কৰিলেহে আমাক অধীনলৈ আনিব পাৰিব, আৰু আমাৰ শতিকাত তেওঁৰ অহিংস প্ৰতিৰোধে আন্তঃৰাষ্ট্ৰীয়ভাৱে ঔপনিৱেশিক-বিৰোধী আৰু বৰ্ণবাদ-বিৰোধী আন্দোলনক অনুপ্ৰাণিত কৰি তুলিছিল।"

মেণ্ডেলাৰ কাৰণে গান্ধী আছিল ভাৰতীয় আৰু দক্ষিণ আফ্ৰিকান। গান্ধীয়ে অনুমোদন জনালেহেতেন। মানৱ সমাজৰ কিছুমান সৰ্বাধিক দ্বন্দ্বৰ মাজত সেতু হৈ পৰিব পৰাকৈ তেওঁৰ অনন্য ক্ষমতা আছিল।

১৯২৫ত, গান্ধীয়ে "ইয়ং ইণ্ডিয়া"ত লিখিছিলঃ "ৰাষ্ট্ৰীয়তাবাদী নোহোৱাকৈ আন্তঃৰাষ্ট্ৰীয়তাবাদী হোৱাটো কাৰোৰে বাবে সম্ভৱ নহয়। ৰাষ্ট্ৰীয়তাবাদ বাস্তৱায়িত হোৱা মাত্ৰকেহে আন্তঃৰাষ্ট্ৰীয়তাবাদ সম্ভৱপৰ, অৰ্থাৎ, যেতিয়া ভিন্ন দেশৰ জনসাধাৰণ একত্ৰিত হৈ পৰে আৰু এজন লোক হিচাপে কাম কৰিবলৈ সক্ষম হয়।" তেওঁ ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদক মানৱতাৰ সেৱাৰ কাম কৰাৰ আধাৰ হোৱাৰ বিপৰীতে কেতিয়াও সংকীৰ্ণ হোৱাৰ কল্পনা নকৰিছিল।

মহাত্মা গান্ধীয়ে তদুপৰি সমাজৰ সকলো শ্ৰেণীৰ মাজতে বিশ্বাসৰ ভেটি স্থাপন কৰিছিল। ১৯১৭ত, গুজৰাটৰ আহমেদাবাদত বৃহৎ টেক্সটাইল ধৰ্মঘট সংঘটিত হৈছিল। যেতিয়া কাৰখানাৰ শ্ৰমিক আৰু মালিকৰ সংঘাতে চৰম সিদ্ধান্ত পাইছিল, তেতিয়া গান্ধীয়েই ন্যায়সংগত নিষ্পত্তিৰ মধ্যস্থতা কৰিছিল।

শ্ৰমিকৰ অধিকাৰৰ বাবে গান্ধীয়ে মজদুৰ মহাজন সংঘ নামেৰে এটা সংস্থাৰ জন্ম দিছিল। প্ৰথম দৃষ্টিত, ইয়াক মাথো কোনো এটা সংগঠনৰ নাম যেন লাগিলেও কিন্তু এটা সৰু পদক্ষেপে কিদৰে বৃহৎ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে, তাক ই দেখুৱাই দিছিল। সেই দিনসমূহত, অভিজাতসকলক সন্মানৰ নিমিত্তে “মহাজন” শব্দটো ব্যৱহাৰ কৰা হৈছিল। গান্ধীয়ে “মজদুৰ”ৰ লগত “মহাজন” নামৰ সংমিশ্ৰণেৰে সামাজিক গঠন ওলোটা কৰি দিছিল। এই ভাষাগত বিকল্পৰ জৰিয়তে, গান্ধীয়ে শ্ৰমিকৰ গৌৰৱ বঢ়াই তুলিছিল। আৰু গান্ধীয়ে গণ ৰাজনীতিৰে সাধাৰণ উদ্দেশ্যৰ সংমিশ্ৰণ ঘটাইছিল। কোনে চৰখা (charkha), এটা ঘূৰ্ণীয়মান চকৰি আৰু খাদী, ভাৰতীয় হাতেবোৱা বস্ত্ৰ, আৰ্থিক আত্ম-নিৰ্ভৰতাৰ প্ৰতীকস্বৰূপে আৰু এখন ৰাষ্ট্ৰৰ সবলীকৰণৰ অৰ্থে ব্যৱহাৰ কৰিব পাৰিলেহেতেন? এচিকূট লোনৰ জৰিয়তে বাৰু কোনে এটা গণ আন্দোলন গঢ়ি তুলিব পাৰে! ঔপনিৱেশিক শাসনৰ সময়ছোৱাত, ভাৰতীয় লোনৰ ওপৰত নতুন কৰ আৰোপ কৰা লোন আইন বোজা হৈ পৰিছিল। ১৯৩০ত দাণ্ডি যাত্ৰাৰ জৰিয়তে, গান্ধীয়ে লোন আইনখনক প্ৰত্যাহ্বান জনাইছিল।তেওঁ আৰৱ সাগৰৰ তীৰৰপৰা প্ৰাকৃতিক লোন এচিকূট তুলি অনাতে ঐতিহাসিক আইন অমান্য আন্দোলনৰ সূচনা হৈছিল।

বিশ্বত বহু গণ আন্দোলন হৈ গৈছে, আনকি ভাৰততো বহু মুক্তি সংগ্ৰাম সংঘটিত হৈছে, কিন্তু গান্ধীবাদী সংগ্ৰামে পৃথক আদৰ্শ ৰচনা কৰিলে আৰু তেওঁৰদ্বাৰা অনুপ্ৰাণিত হৈয়ে বিস্তৃত-পৰিসৰৰ গণ অংশগ্ৰহণ সম্ভৱ হৈ উঠিছিল। তেওঁ কেতিয়াও প্ৰশাসনিক বা নিৰ্বাচিত পদত অধিষ্ঠিত নহৈছিল। তেওঁ কেতিয়াও ক্ষমতাৰ প্ৰতি লালায়িত হোৱা নাছিল।

তেওঁৰ বাবে, স্বাধীনতা মানে বাহ্যিক শাসনৰ অনুপস্থিতি নাছিল। ৰাজনৈতিক স্বাধীনতা আৰু ব্যক্তিগত সৱলীকৰণৰ মাজত তেওঁ গভীৰ সংযোগ প্ৰত্যক্ষ কৰিছিল। তেওঁ প্ৰতিজন লোকেই মৰ্যাদা আৰু সমৃদ্ধিশালীভাৱে জীয়াই থাকিব পৰা এখন বিশ্বৰ কল্পনা কৰিছিল। যেতিয়া বিশ্বখনে অধিকাৰৰ কথা কৈছিল, গান্ধীয়ে দায়িত্বত গুৰুত্ব প্ৰদান কৰিছিল। “ইয়ং ইণ্ডিয়া”ত তেওঁ লিখিছিলঃ “অধিকাৰৰ প্ৰকৃত উৎস হৈছে দায়িত্ব। যদি আমি সকলোৱে আমাৰ দায়িত্ব পালন কৰো, অধিকাৰ প্ৰাপ্তিৰ অৰ্থে বেছি দূৰ নাথাকিব।” হৰিজন পত্ৰিকাত তেওঁ লিখিছিল, “নিজা দায়িত্ব যথাযথভাৱে পালন কৰাজনৰ স্বতঃস্ফূৰ্তভাৱে অধিকাৰ প্ৰাপ্তি হয়।” গান্ধীয়ে আমাক বিশ্বস্ততাৰ মতবাদ আগবঢ়াইছিল, যিয়ে দুখীয়াৰ আৰ্থ-সামাজিক কল্যাণত গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰদ্বাৰা অনুপ্ৰাণিত হৈ, আমি অধিকাৰৰ উদ্দীপনা সন্দৰ্ভত চিন্তা কৰা উচিত। আমি, বিশ্বখনৰ উত্তৰাধিকাৰী হিচাপে, আমাৰ গ্ৰহটোৰ উদ্ভিদ আৰু প্ৰাণীজগতকে ধৰি ইয়াৰ কল্যাণৰ অৰ্থে দায়বদ্ধ। গান্ধী হৈছে আমাক দিক নিৰ্দেশনা দিবলৈ শ্ৰেষ্ঠ শিক্ষাগুৰু। বহনক্ষম উন্নয়নৰ বৰ্ধন আৰু অৰ্থনৈতিক আত্ম-নিৰ্ভৰতা নিশ্চিতকৰণৰ অৰ্থে মানৱতাক বিশ্বাস কৰাসকলক একত্ৰিত কৰাৰপৰা আৰম্ভ কৰি গান্ধীয়ে প্ৰতিটো প্ৰশ্নৰে সমাধান আগবঢ়াইছিল। ভাৰতত আমি আমাৰ কাম কৰি আছো। দৰিদ্ৰতা নিৰ্মূল কৰাৰ ক্ষেত্ৰত ভাৰত দ্ৰুততমসমূহৰ অন্যতম। আমাৰ অনাময় প্ৰচেষ্টাই বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে। ইন্টাৰনেশ্যনেল ছ'লাৰ এলায়েন্সৰ দৰে প্ৰচেষ্টাৰ জৰিয়তে ভাৰতে তদুপৰি নৱীকৰণযোগ্য সম্পদ আহৰণত অগ্ৰণী হৈ পৰিছে, যিয়ে এটা বহনক্ষম ভৱিষ্যতৰ অৰ্থে সৌৰ শক্তি আহৰণ কৰিবলৈ বহু ৰাষ্ট্ৰক একত্ৰিত কৰে। আমি বিশ্বখনৰ সৈতে আৰু বিশ্বখনৰ বাবে বহুত কৰিব খুজিছো।

গান্ধীলৈ প্ৰণিপাত স্বৰূপে, মই আইনষ্টাইন চেলেঞ্জৰ প্ৰস্তাৱ জনাইছো। গান্ধীক লৈ এলবাৰ্ট আইনষ্টাইনৰ প্ৰসিদ্ধ বক্তব্য আমি জানোঃ “আহিবলগীয়া প্ৰজন্মৰ অতিশয় কম সংখ্যকেহে বিশ্বাস কৰিব যে এনে তেজ আৰু মঙহৰ কোনোবা এজনে এই বিশ্বত পদাৰ্পণ কৰিছিল।”

ভৱিষ্যৎ প্ৰজন্মসমূহে গান্ধীৰ আদৰ্শৰাজি স্মৰণ কৰিব বুলি আমি কিদৰে নিশ্চিত হ'ম? মই চিন্তাবিদ, উদ্যোগী আৰু টেক লিডাৰসকলক উদ্ভাৱনৰ জৰিয়তে গান্ধীৰ আদৰ্শৰাজি প্ৰসাৰৰ বাটকটীয়া হ'বলৈ আমন্ত্ৰণ জনাইছো। আমাৰ বিশ্বখনক সমৃদ্ধিশালী আৰু ঘৃণা, হিংসা আৰু পীড়াৰ পৰা মুক্ত কৰি তুলিবলৈ হাতে-হাত ধৰি কাম কৰো আহক। যেতিয়া আমি মহাত্মা গান্ধীৰ সপোন পূৰণ কৰিম, তেওঁৰ জনপ্ৰিয় স্তৱক “বৈষ্ণৱ জন তো” বাস্তৱায়িত হৈ পৰিব। যিয়ে আনৰ বেদনা অনুভৱ কৰা, কষ্ট লাঘৱ কৰা আৰু কেতিয়াও দাম্ভিকতা প্ৰদৰ্শন নকৰাজনক প্ৰকৃত মানৱ বুলি আখ্যায়িত কৰিছে। ■

## আপোনালৈ বিশ্বখনৰ প্ৰণাম, প্ৰিয়তম বাপু!

*(গান্ধীজীৰ ১৫০ সংখ্যক জন্ম দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰদ্বাৰা এই নিবন্ধটি লিখা হৈছে)*

"যেতিয়াই আমি মহাত্মা গান্ধীৰ কথা চিন্তা কৰোঁ, স্বাভাৱিকতেই আমাৰ খাদীৰ কথা মনলৈ আহে। মই মাথোঁ অতিকমেও এটা খাদী পণ্য ব্যৱহাৰ কৰিবলৈ কৈছোঁ, ৰুমাল বা বাথ টাৱেল, বিচনা কাপোৰ, গাৰু ক'ভাৰ, পৰ্দা বা এইসমূহৰ দৰে আন কোনো। যদি আপোনাৰ পৰিয়ালৰ মাজত সকলো ধৰণৰ ফেব্ৰিক আৰু কাপোৰ ব্যৱহাৰ কৰা হয়, আপুনি নিয়মীয়াকৈ খাদী পণ্যসমূহো ক্ৰয় কৰিব পাৰে। মই এই কথা কোৱাৰ কাৰণ হৈছে যেতিয়া আপুনি খাদী পণ্য ক্ৰয় কৰিব; তেতিয়া দুখীয়া লোকে দিৱালীত চাকি জ্বলোৱাত সহায়ক হ'য়"



# খাদী
## এখোজ আগলৈ

**২০১৪ৰ মাজভাগৰেপৰা খাদীৰ পণ্যসমূহ আধুনিকীকৰণ আৰু গ্ৰাহকীকৰণৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰখনৰ প্ৰচেষ্টাই খণ্ডটোক অভাৱনীয় লাভৰ মুখ দেখুৱায়। আজি ইয়াৰ বিক্ৰী ৩৮৯ শতাংশ বৃদ্ধি পাইছে আৰু ইয়াৰ নিয়োগৰ সম্ভাৱনা বৃদ্ধি হৈছে। খাদী উদ্যোগৰ বৰ্ধন চৰকাৰৰ আত্মনিৰ্ভৰ ভাৰতৰ জ্বলন্ত উদাহৰণ**

যোৱা ছটা বছৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত, ব্ৰেণ্ড খাদীৰ গ্ৰহণযোগ্যতা বৃদ্ধি পাইছে। তদুপৰি, দেশখনে কেভিআইচিৰ সৰ্ববৃহৎ সফলতাৰ কাহিনী ৰচনা হোৱাটো প্ৰত্যক্ষ কৰিছে।২০১৫-১৬ৰ পৰা পাঁচটা বছৰত খাদীৰ উৎপাদন দুগুণৰো অধিক বৃদ্ধি পাইছে।একে সময়ছোৱাত বিক্ৰীও প্ৰায় তিনি গুণ বৃদ্ধি পায়। ২০১৯-২০ ত কেভিআইচিৰ মুঠ টাৰ্ণঅ'ভাৰ ৮৮,৮৮৭ কোটি টকা হৈ পৰে, যাৰ

### মোদী মেজিকৰ ক্ৰিয়া, খাদী ব্যৱহাৰ আৰম্ভ জনতাৰ

৪ অক্টোবৰ, ২০১৪: দিল্লীৰ মধু বিহাৰ অঞ্চলৰ এজন লোক গৈ উপস্থিত হয়হি এখন কেভিআইচি বিপণীত। তেওঁ পাঁচখন বিচনা কাপোৰ আৰু টাৱেল ক্ৰয় কৰে। তেওঁ বিলিং কাউন্টাৰৰ দিশে আগবাঢ়ে, তেতিয়াই বিপণীখনৰ কৰ্মচাৰীসকলক কোৱা কেইটামান কথাত উৎসাহ ফুটি উঠে। "মই শ্ব'ৰুম এটালৈ গৈছিলো কিন্তু মোদীজীৰ কথা শুনি, মই ভাবিলো খাদীতকৈ উৎকৃষ্ট আৰু কি হ'ব পাৰে।"

৯ অক্টোবৰ, ২০১৪: ঝাৰখণ্ডৰ চাট্ৰাৰ লোকসভাৰ সাংসদ সুনীল কুমাৰ সিঙক এটা চৰকাৰী বাংলোত থাকিবলৈ দিয়া যায়। পৰ্দাৰ বাবে ফেব্ৰিক বাছনি কৰিবলৈ চিপিডব্লিউডিৰ বিষয়া-বৰ্গই ২০০ ৰোধিক নমুনা আগবঢ়াই দিয়ে। পিছে সাংসদজনে কাৰ্যবাহী অভিযন্তাজনক খাদী বা হেণ্ডলুমৰ পৰ্দা আছেনে নাই সুধিলে। বিষয়াজনে ক'লে, "আমি বহু সামগ্ৰী বিচাৰিছিলো আৰু এই প্ৰয়োজন পূৰণত কেভিআইচি অসমৰ্থ হয়"। সাংসদজনে চিপিডব্লিউডিৰ বিষয়া-বৰ্গক কয়: "যদি আপোনালোকে প্ৰয়োজনীয়তা সন্দৰ্ভত কেভিআইচিক আগতীয়াকৈ ক'লেহেঁতেন তেতিয়া এয়া লাভ কৰিলেহেঁতেন।" তাৰ পাছত, বিষয়া-বৰ্গই পছন্দৰ বাবে সাংসদজনৰ অৰ্থে নমুনাসমূহ আগবঢ়াই দিলে।



### উৎপাদনত নতুন মাইলৰ খুঁটি

- ১৯৫৬ ৰপৰা ২০১৩-১৪ লৈ খাদী ফেব্ৰিকৰ বাৰ্ষিক গড় উৎপাদন আছিল ১৭.৮০ লাখ বৰ্গ মিটাৰ
- ২০১৪ ৰপৰা ২০১৯-২০ লৈ মাথো ৬ বছৰতে বাৰ্ষিক গড় উৎপাদন ১.৫৮ কোটি বৰ্গ মিটাৰলৈ বৃদ্ধি পালে

সৈতে কোনো এফএমচিজি কোম্পানীৰে তুলনা নহয়। বৰ্তমানৰ চৰকাৰখনৰ আমোলত খাদী প্ৰডাক্টৰ ব্যৱহাৰৰ অভূতপূৰ্ব বৃদ্ধিক সূচিত কৰি ২০১৫-১৬ ৰপৰা ইয়াৰ উৎপাদন বছৰি গড়ে ১৯.৪৫ শতাংশকৈ বৃদ্ধি হয়, পূৰ্বৰ চৰকাৰখনৰ আমোলত অৰ্থাৎ ২০০৪ ৰ পৰা ২০১৪ লৈ এয়া আছিল মাথো ৬.২৫ শতাংশ।

বৰ্তমান চৰকাৰখনৰ আমোলত বছৰি ২৭.৬ শতাংশ হাৰে খাদী পণ্যৰ বিক্ৰী অভূতপূৰ্বভাৱে বৃদ্ধি পোৱাৰ বিপৰীতে ২০০৪ ৰপৰা ২০১৪ লৈ এয়া আছিল মাত্ৰ ৬.৬৫ শতাংশ। খাদী সামগ্ৰীৰ উৎপাদনলৈ চালে দেখা যায় যে ২০১৫-১৬ত ১,০৬৬ কোটি টকাৰপৰা ২০১৯-২০ত হয়হি ২,২৯২.৪৪ কোটি টকা, যি বৃদ্ধিৰ হাৰ ১১৫ শতাংশৰো অধিক। খাদী ফেব্ৰিক পণ্যৰ বিক্ৰীৰ ক্ষেত্ৰত, ২০১৫-১৬ ত ১,৫১০ কোটি টকাৰপৰা ২০১৯-২০ত হয়হি ৪,২১১.২৬ কোটি টকা। এই বৃদ্ধিৰ হাৰ ১৭৯ শতাংশ।

## প্ৰধানমন্ত্ৰীৰ আহ্বানে খাদীত এটা সুন্দৰ গুনা ঘূৰালে

উৎপাদন ও বিক্ৰীয়ে আৰোহণ কৰিলে নতুন শিখৰত

| খণ্ড | ২০১৩-১৪ | | ২০১৯-২০ | |
|---|---|---|---|---|
| | উৎপাদন | বিক্ৰী | উৎপাদন | বিক্ৰী |
| খাদী | ৮১১.০৮ টকা | ১,০৮১.০৪ টকা | ২,২৯২.৪৪ টকা | ৪,২১১.২৬ টকা |
| গ্ৰামোদ্যোগ | ২৫,২৯৮ টকা | ২৬,৬৮৯ টকা | ৬৫,৩৯৩.৪০ টকা | ৮৪,৬৭৫.৩৯ টকা |

উৎপাদন আৰু বিক্ৰীৰ পৰিমাণ কোটিত

নিয়োগ
২০১৪-২০
মৌ অভিযান
১৩,৬৫৭
খাদী
প্ৰায় ৩ লাখ
খাদী গ্ৰামোদ্যোগ
প্ৰায় ৩০ লাখ



## যুৱ-প্ৰজন্মৰ মাজত জনপ্ৰিয়তা

২০১৪ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱ সমাজৰ মাজত খাদীক জনপ্ৰিয় কৰি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছিল। তেখেতৰ পৰিকল্পনা অনুসৰিয়েই, কেভিআইচিয়েও আন কোনো প্ৰাইভেট বেণ্ডৰ দৰেই ইয়াৰ পণ্যসমূহৰ মাৰ্কেটিং কৰিবলৈ আৰম্ভ কৰে। এতিয়া, ই আনকি ইণ্ডো-ৱেষ্টাৰ্ণ পোছাকো প্ৰস্তুত কৰে। সাজ-পোছাকৰ উপৰিও, সমগ্ৰ দেশ আৰু আনকি বিদেশৰ গ্ৰাহককো আকৰ্ষিত কৰিব পৰাকৈ কছমেটিক, চাবোন, চেম্পু, আয়ুৰ্বেদিক ঔষধ, মৌ, তেল, চাহপাত, আচাৰ, পাপৰৰ দৰে বিস্তৃত পৰিসৰৰ পণ্য আৰু চামৰাৰ সামগ্ৰী প্ৰস্তুত কৰে। ইয়াৰ ফলশ্ৰুতিত পাঁচ বছৰত উৎপাদন আৰু গ্ৰামোদ্যোগৰ পণ্যৰ বিক্ৰী দুগুণ হয়। কেভিআইচিৰ অধ্যক্ষ বিনয় কুমাৰ চাক্সেনাই খাদীৰ এনে অপ্ৰত্যাশিত বৰ্ধনৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰচেষ্টাক স্বীকাৰ কৰে।





# উদ্ভাৱনীয়তাৰ সমাহাৰ

ষ্টাৰ্ট-আপ ইণ্ডিয়া, অটল ইন'ভেশ্যন মিশ্যন আৰু মেক ইন ইণ্ডিয়া ৰ লেখীয়া কেন্দ্ৰ চৰকাৰৰ প্ৰকল্পসমূহে বৈশ্বিক উদ্ভাৱন সূচাংকত বিশ্বৰ শীৰ্ষ ৫০ খন দেশৰ তালিকাত ভাৰতক স্থান লাভ কৰাত সহায় কৰিছে।

সমাজ বা দেশৰ বাবে ইয়াৰ প্ৰসাৰতা বৃদ্ধি কৰিবলৈ আৰু বিশ্বৰ অন্যান্য প্ৰান্তৰ সৈতে ফেৰ মাৰিবৰ বাবে সদায়েই পৰিৱৰ্তন আৰু উদ্ভাৱনীয়তাক মুক্ত কৰি ৰাখিব লাগিব। এই একেই কথা প্ৰখ্যাত ব্ৰিটিছ লেখক উইলিয়াম পোলাৰ্ডে কৈ গৈছে, "শিকণ আৰু উদ্ভাৱনীয়তা প্ৰতিদিনেই পৰিৱৰ্তনশীল। সফলতাৰ অহংকাৰ হৈছে আপুনি কালি কৰা কামখিনি কাইলৈৰ বাবে পৰ্যাপ্ত বুলি ভবা এক ধাৰণা মাত্ৰ।"

গতিকে, উদ্ভাৱনীয়তা, গৱেষণা আৰু উন্নয়নৰ ওপৰত বৰ্তমানৰ চৰকাৰখনৰ পদক্ষেপ তথা গুৰুত্বই ফল আনিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ ৱৰ্ল্ড ইণ্টেলেকস্যুৱেল প্ৰ'পাৰ্টিৰ দ্বাৰা চলোৱা ৰেংকিঙত গেবেল ইনোভেশ্যন ইনডেক্স চমুকৈ জিআইআইৰ ক্ষেত্ৰত বিশ্বৰ শীৰ্ষ ৫০ খন দেশৰ ভিতৰত ভাৰতে স্থান লাভ কৰাৰ দ্বাৰা দেশে এক বৃহৎ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। সংগঠন (WIPO) ষ্টাৰ্ট আপ ইণ্ডিয়া, অটল ইনোভেশ্যন মিশ্যন, মেক ইন ইণ্ডিয়া, অটল টিংকাৰিং লেব, হেকাথন আদিয়ে দেশত উদ্ভাৱনীয়তাৰ দিশবোৰত সহায় কৰি আহিছে



ভাৰতে চাৰিটাকৈ স্থান অগ্ৰসৰ হৈছে। সম্প্ৰতি গ্ল'বেল ইন'ভেশ্যন ইনডেক্স ২০২০ ত ভাৰতে ৪৮ তম স্থানত উপনীত হ'বলৈ সক্ষম হৈছে। ক'ভিড ১৯ মহামাৰীৰ সময়ছোৱাত দেশৰ বাবেই ই এক সুখবৰ যে দেশৰ গৱেষণা আৰু উন্নয়নৰ পৰিস্থিতিতন্ত্ৰটো ব্যাপকভাৱে উন্নীত হৈছে।

২০১৯ চনত ভাৰত আছিল এই ৰেংকিঙৰ ৫২ তম স্থানত, ইফালে ২০১৫ চনত ভাৰতৰ ৰেংকিং আছিল ৮১। উদ্ভাৱনীয়তাৰে উন্নীত দেশৰ তালিকাৰ ক্ষেত্ৰত এয়া এক বৃহৎ সাফল্য ভাৰতৰ বাবে। উল্লেখ্য যে WIPO য়েও ভাৰতক ২০১৯ চনৰ উদ্ভাৱনীয়তাৰ দিশেৰে মধ্য আৰু দক্ষিণ এছীয় প্ৰান্তৰ শীৰ্ষস্থানীয় সফল দেশ হিচাপে অভিহিত কৰিছে।

স্মৰ্তব্য যে দেশত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ গৱেষণা প্ৰতিষ্ঠানসমূহৰ দ্বাৰা কৰা অনবদ্য কাম, গতিসমৃদ্ধ ষ্টাৰ্ট-আপ ব্যৱস্থা, ব্যাপক জ্ঞানভাণ্ডাৰ আদিৰ বাবেই দেশে এই গেবেল ইনোভেশ্যন ইনডেক্স ৰেংকিঙত ধাৰাবাহিকভাৱে উত্তৰণ লাভ কৰিবলৈ সক্ষম হৈছে।

ইয়াৰ উপৰিও দেশৰ শিশু আৰু যুৱ সমাজৰ মাজত উদ্ভাৱনীয়তাৰ এক স্পৃহা জগাই তোলাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ এ এক গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰিছে। বিগত বৰ্ষত নিটি আয়োগে মুকলি কৰা ইণ্ডিয়া ইনোভেশ্যন ইনডেক্স ব্যাপকভাৱে সমাদৃত হৈছে, ইয়াক ভাৰতৰ আটাইবোৰ ৰাজ্যতে উদ্ভাৱনীয়তাৰ বিকেন্দ্ৰীকৰণৰ দিশেৰে আদৰি লোৱা হৈছে। সম্প্ৰতি জিআইআই ৰেংকিং উত্তৰণ কৰাৰ দিশেৰে ইয়াৰ প্ৰয়াসক দুগুণ কৰি তোলাৰ বাবে সমগ্ৰ দেশ সাজু হৈছে, আৰু পৰৱৰ্তী ৰেংকিঙত দেশৰ স্থান শীৰ্ষ ২৫ খন দেশৰ তালিকাত অন্তৰ্ভুক্ত কৰিবৰ বাবে লক্ষ্য গ্ৰহণ কৰিছে। বিগত ছটা বছৰত এয়া আছিল অনবদ্য যাত্ৰা। জিআইআইৰ ২০২০ চনৰ প্ৰতিবেদন অনুসৰি প্ৰায় ৫০,০০০ ষ্টাৰ্ট-আপেৰে ভাৰত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু গ্ৰেট ব্ৰিটেইনৰ পিছতে তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্ট-আপ অৰ্থনীতিৰ দেশত পৰিণত হৈছে।

প্ৰতিবেদন অনুসৰি, ২০১৯ চনত ভাৰতৰ ৰেংকিং আছিল ৫২, ইয়াৰ পূৰ্বে ২০১৮ চনত এই ৰেংকিং আছিল ৫৭ জুৰিখস্থিত গেবেল ষ্টাৰ্ট-আপ ইকোছিষ্টেম মেপ এণ্ড ৰিচাৰ্ছ চেণ্টাৰ ষ্টাৰ্ট-আপ ব্লিংকৰ তথ্য অনুসৰি ২০১৯ চনত বিশ্বৰ ১০০ খন দেশৰ ভিতৰত ভাৰতে লাভ কৰিছিল ১৭ তম স্থান, ইয়াৰ ভিত্তি আছিল ষ্টাৰ্ট-আপ ইকোছিষ্টেমৰ শক্তি সামৰ্থ্য, উল্লেখ্য যে ২০১৮ চনত থকা ৩৭ তম স্থানৰ পৰা ২০ টাকৈ স্থান উত্তৰণ ঘটাইছিল ভাৰতত‌ে। এই জিআইআই ৰেংকিং ৮০ টাকৈ কাৰকৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হয়। ■

## চৰকাৰে নিষিদ্ধ কৰিলে ১১৮ টা এপ্প




ইলেক্ট্ৰ'নিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে শেহতীয়াকৈ ১১৮ টা মোবাইল এপ্প নিষিদ্ধ ঘোষণা তথা ব্লক কৰিছে। তথ্য অনুসৰি এই এপ্পসমূহ দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰা ধৰণৰ কাৰ্যকলাপৰ সৈতে লিপ্ত আছিল।

বিভিন্ন উৎসৰ পৰা লাভ কৰা অভিযোগৰ পিছতে মন্ত্ৰালয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছিল, এই অভিযোগসমূহৰ ভিতৰত ভাৰতৰ বাহিৰৰ বিভিন্ন স্থানৰ পৰা দেশৰ ইউজাৰৰ বিভিন্ন তথ্য স্থানান্তৰ কৰিবৰ বাবে এণ্ড্ৰ'ইড আৰু iOS প্লেটফৰ্মৰ এপ্প কিছুমানৰ অপব্যৱহাৰ কৰাৰ অভিযোগো সন্নিৱিষ্ট আছিল।

নিষিদ্ধ ঘোষণা কৰা এপ্পসমূহৰ ভিতৰত আছিল ক্ৰমে — PUS লঞ্চাৰ প্ৰো-থীম, লাইভ ৱালপেপাৰ্ছ, স্মাৰ্ট, APUS লঞ্চাৰ-থীম, কল শ্বো, ৱালপেপাৰ, হাইড এপ্পছ, বাইডু, এফচ ইউ-ইনস্পায়াৰ ইয়'ৰ বিউটী, শ্বেয়াৰ ছেভ বাই জিয়াওমি: লেটেষ্ট গেজেটছ, এমেজিং ডীলছ, কেম কাৰ্ড — বিজনেছ কাৰ্ড ৰীডাৰ, উই ছাট ৰীডিং, ছাইবাৰ হাণ্টাৰ, লুডো ৱৰ্ল্ড — লুডো ছুপাৰষ্টাৰ, ডাংক টেংকছ আৰু পাবজী মোবাইল নৰ্ডিক মেপ: লিভিক, পাবজী মোবাইল লাইট



# শ্ৰমিকৰ সবলীকৰণৰ বাবে শ্ৰমিক কোড

# সামাজিক সুৰক্ষা সম্প্ৰসাৰণ, উন্নত বেতন, বিনামূলীয়া চিকিৎসাৰ সুবিধা, ঔষধ, কৰ্মক্ষেত্ৰত সুৰক্ষা ব্যৱস্থা বৃদ্ধি — এই চাৰিটা শ্ৰম কোডৰ ওপৰত প্ৰদান কৰা হৈছে ব্যাপক গুৰুত্ব

স্বাধীন ভাৰতৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে বৰ্তমানৰ চৰকাৰখনে দেশৰ ৫০ কোটি শ্ৰমিকক সামাজিক সুৰক্ষা প্ৰদান কৰিবৰ বাবে জটিল শ্ৰমিক আইনৰ পৰা মুক্তি প্ৰদানৰ ব্যৱস্থা কৰিছে। শ্ৰমিকৰ সংস্কাৰ সাধন প্ৰক্ৰিয়াৰ অংশ হিচাপে চৰকাৰে ভালেমান শ্ৰমিক আইনক চাৰিটা বিশেষ কোডৰ অধীনলৈ অনাৰ ব্যৱস্থা হাত লৈছে, সেয়া ক্ৰমে বেতন বা মজুৰি, ঔদ্যোগিক সম্পৰ্ক, সামাজিক নিৰাপত্তা আৰু সুৰক্ষা আৰু স্বাস্থ্যসন্মত কৰ্ম পৰিস্থিতি।

ইয়াৰ উদ্দেশ্যই হৈছে দেশৰ শ্ৰমিকসকলক সামাজিক নিৰাপত্তাৰ সা-সুবিধাৰে এক সম্ভ্ৰমপূৰ্ণ জীৱন প্ৰদান কৰা। শ্ৰমিকসকলৰ পুতৌলগা পৰিস্থিতিৰ প্ৰমাণ ইয়াৰ পৰাই পাব পাৰি যিহেতু তেওঁলোকৰ নিৰাপত্তাৰ বাবে দেশৰ সৰ্বমুঠ কৰ্মীগোটৰ ৯৩ শতাংশই কাম কৰি থকা অসংগঠিত খণ্ডৰ শ্ৰমিকৰ স্বাৰ্থ সুৰক্ষা কৰা কোনো আইন নাছিল । উল্লেখ্য যে দেশৰ সংগঠিত খণ্ডই মাত্ৰ ৭ শতাংশ কৰ্মীগোটকহে নিয়োগ কৰে।

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ অক্টোবৰ মাহৰ ১৬ তাৰিখে শ্ৰমেৱ জয়তে অভিযান মুকলি কৰি শ্ৰমিকসকলক দেশৰ খনিকৰ বুলি অভিহিত কৰাৰ কথা মনত ৰাখিয়েই বৰ্তমানৰ চৰকাৰখনে সেই প্ৰতিজ্ঞাবদ্ধতা অক্ষুণ্ণ ৰাখিছে।

উল্লেখ্য যে চৰকাৰে শ্ৰমেৱ জয়তে অভিযানৰ অধীনত পাচটা বৃহৎ কাৰ্য মুকলি কৰিছিল। সেইসমূহৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ কামটো আছিল শ্ৰম সুবিধা পোৰ্টেল মুকলি, যাৰ উদ্দেশ্য আছিল ৰছ খন শ্ৰমিক আইনৰ সৰলীকৰণ, য'ত সন্নিৱিষ্ট থাকিব এক একক অনলাইন প্ৰপত্ৰযোগে আয়কৰ ৰিটাৰ্ণ ফাইল কৰাৰ দৰে সুবিধা। আন এক সংস্কাৰ আছিল পৰিদৰ্শনৰ বাবে গোটসমূহৰ যাদৃচ্ছিক বাচনিৰ বাবে এক স্বচ্ছ শ্ৰমিক পৰিদৰ্শন আঁচনি সৃষ্টি কৰা। এই ব্যৱস্থাই 'ইনস্পেক্টৰ ৰাজ' ব্যৱস্থাৰ অবাঞ্চিত হাৰাশাস্তিৰ পৰা শ্ৰমিকসকলক মুক্ত কৰাৰ পৰা ৰেহাই দিছে।

এই আঁচনিখনে প্ৰথমবাৰৰ বাবে সংগঠিত খণ্ডৰ ইপিএফ ছাবস্ক্ৰাইবাৰসকলৰ বাবে ইউনিভাৰ্ছেল একাউণ্ট নম্বৰ বা UAN ৰ যোগেদি প'ৰ্টেবিলিটি সক্ৰিয় কৰি তুলিছে। এই ব্যৱস্থাই কৰ্মচাৰী মৰগীয়া পুঁজি সংগঠন বা EPFO ত নিস্পত্তি নোহোৱাকৈ থকা ২৭,০০০ কোটি টকা ব্যৱহাৰৰ সুবিধা কৰি দিলে।

অসংগঠিত খণ্ডৰ বয়োজ্যেষ্ঠ শ্ৰমিকসকলৰ বাবে সামাজিক নিৰাপত্তা নিশ্চিত কৰিবলৈ চৰকাৰে প্ৰধানমন্ত্ৰী শ্ৰমযোগী মান ধন আঁচনি মুকলি কৰিছে, যিটোৰ অধীনত শ্ৰমিকসকলক ৬০ বছৰৰ পিছত মাহেকত ৩০০০ টকাকৈ প্ৰদান কৰাৰ ব্যৱস্থা আছে।

সংশ্লিষ্ট পদক্ষেপসমূহৰ যোগেদি চৰকাৰে সম্প্ৰতি আটাইবোৰ শ্ৰমিক আইনকে চাৰিটা শ্ৰমিক কোডৰ অধীনত সন্নিৱিষ্ট কৰিছে। এটা কোডে মজুৰিৰ দিশটো সামৰি ল'ব, আনফালে আন এটা কোডে জীৱিকাগত সুৰক্ষা আৰু স্বাস্থ্যসন্মত কাম পৰিস্থিতিৰ দিশটো সামৰি ল'ব। আনফালে সামাজিক নিৰাপত্তাৰ দিশটো সামৰি ল'বৰ বাবেও এটা কোড আছে। আন এটা কোডে সামৰি ল'ব ঔদ্যোগিক সম্পৰ্কৰ দিশবোৰ। উল্লেখ্য যে বেতন কোডটো ইতিমধ্যেই সংসদত গৃহীত হৈছে। ইফালে বাকী তিনিটা কোডলৈও কেবিনেটে অনুমোদন জনাইছে।

## আইনৰ জটিলতাৰ পৰা মুক্তি

ব্ৰিটিছৰ শাসনকালত শ্ৰমিক আইনৰ ক্ষেত্ৰত ভালেমান ব্যৱস্থা আছিল। কিন্তু সময় অতিবাহিত হোৱাৰ পিছতো সেই নিয়ম নীতিবোৰত কোনোধৰণৰ সালসলনি হোৱা নাছিল। শ্ৰমিকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ পৰিৱৰ্তে সেই নিয়মবোৰে শ্ৰমিকসকলৰ বাবে বেছি জটিলতাৰহে সৃষ্টি কৰিছিল।

আইনৰ মেৰপেচৰ বাবে শ্ৰমিকসকলে একাধিক প্ৰপত্ৰ পূৰণ কৰিবলগীয়া হৈছিল, যাৰ বাবে এই সমগ্ৰ প্ৰক্ৰিয়াটো অধিক জটিল হৈ পৰিছিল। তেনে এক পৰিস্থিতিত চৰকাৰে এই সমগ্ৰ

প্ৰক্ৰিয়াটো সৰলীকৰণেৰে চাৰিটা বিশেষ কোডৰ অধীনলৈ লৈ আনে।

## প্ৰব্ৰজনকাৰী শ্ৰমিকৰ বাবে চিন্তা

ক'ভিড-১৯ৰ বাবে দেশজুৰি দিয়া লকডাউনৰ সময়ছোৱাত দেশৰ প্ৰব্ৰজনকাৰীসকলৰ বাবে চিন্তা ব্যক্ত কৰি প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ হিতাৰ্থে যাৱতীয় সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে, যাতে এই সংকটৰ সময়ছোৱাত তেওঁলোকে দুৰ্ভোগ ভুগিবলগীয়া নহয়। বিনামূলীয়া ৰেচনৰ পৰা আৰম্ভ কৰি অন্যান্য সাহায্য প্ৰদানলৈ, চৰকাৰখনে সকলোধৰণেৰে তেওঁলোকক অসুবিধাত নপৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ দুৰ্দশা দেখি প্ৰধানমন্ত্ৰী যথেষ্ট ব্যথিত হৈ পৰিছিল। ইয়াৰ পিছতেই শ্ৰমিকসকলৰ এক উন্নত ভৱিষ্যত নিশ্চিতকৰণৰ বাবে তিনিটা বিশেষ কোডৰ ব্যৱস্থা কৰা হয়।

এতিয়া, নতুন ব্যৱস্থাৰে সৈতে প্ৰব্ৰজনকাৰীসকলৰ বাবে এক ৰাষ্ট্ৰীয় ডাটাবেছ থাকিব, যাতে যদি কোনো শ্ৰমিকে এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ ভ্ৰমণ কৰে তেন্তে তেনে পৰিস্থিতিত তেওঁলোকক একেটা কোডৰ অধীনতে ৰাখিব পৰা যায়।

## কৰ্মচাৰী ৰাজ্য বীমা নিগম সামাজিক সম্প্ৰসাৰণ

কৰ্মচাৰী ৰাজ্য বীমা নিগমৰ লাভালাভ ৫০

- অসংগঠিত খণ্ডৰ বাবে সামাজিক সুৰক্ষা পুঁজি
- কৰ্মচাৰী ৰাজ্য বীমা নিগম শ্ৰমিকসকলৰ সামান্য বৰঙণিৰেই তেওঁলোকলৈ বিনামূলীয়া স্বাস্থ্যসুৰক্ষা আৰু ঔষধ আদি প্ৰদান কৰে
- কৰ্মচাৰী ৰাজ্য বীমা নিগমৰ দুৱাৰ অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ বাবেও মুকলি থাকিব
- ইএচআইচি হস্পিটাল, ডিচপেন্সেৰী আৰু শাখা জিলা পৰ্যায়লৈ সম্প্ৰসাৰণ কৰা হ'ব।



## মজুৰি কোড

৫০ সংগঠিত-অসংগঠিত খণ্ডৰ ৫০ কোটি শ্ৰমিকে লাভ কৰিব ন্যূনতম মজুৰি নিশ্চিতি

- ভাৰতে স্বাধীনতা লাভ কৰাৰ ৭৩ বছৰ পিছত চৰকাৰে দেশৰ ৫০ কোটি সংগঠিত আৰু অসংগঠিত শ্ৰমিকৰ মজুৰিৰ সুৰক্ষা, সামাজিক সুৰক্ষা, স্বাস্থ্য সুৰক্ষাৰ বাবে কাম কৰিবলৈ লৈছে।
- প্ৰতিগৰাকী শ্ৰমিকৰ বাবে ন্যূনতম মজুৰি নিশ্চিতি

## জীৱিকা সুৰক্ষা আৰু স্বাস্থ্য (OSH) কোড

- প্ৰতিগৰাকী শ্ৰমিকে নিয়োগ পত্ৰ লাভ কৰিব
- প্ৰব্ৰজনকাৰী শ্ৰমিকসকলে বছৰত এবাৰকৈ ঘৰলৈ যাবৰ বাবে ভ্ৰমণ বানচ লাভ কৰিব
- প্ৰব্ৰজনকাৰী শ্ৰমিকসকলে তেওঁলোকৰ ৰেচন কাৰ্ডসমূহ বৰ্তমান কৰ্মৰত স্থানলৈ স্থানান্তৰ কৰিব পাৰিব।
- বছৰেকীয়া ভিত্তিত শ্ৰমিকসকলৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰা হ'ব।
- মহিলা শ্ৰমিকসকলক যিকোনো খণ্ডতেই কাম কৰাৰ অনুমতি প্ৰদান কৰা হ'ব।
- নিশাৰ ভাগত কাম কৰা মহিলাসকলৰ বাবে অহা-যোৱা কৰিবলৈ বাহনৰ ব্যৱস্থা কৰা হ'ব আৰু তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰা হ'ব।
- নিৰ্মাণ খণ্ডৰ শ্ৰমিকসকলে তেওঁলোকৰ বাবে গঠন কৰা পুঁজিৰ পৰা সহায় লাভ কৰিব।
- বছৰেকীয়া ছুটী লাভ কৰাৰ সৰ্বোচ্চ সময়সীমা ২৪০ দিনৰ পৰিৱৰ্তে ১৮০ দিনলৈ হ্ৰাস কৰা হৈছে। প্ৰতি ২০ দিনৰ মূৰে মূৰে এদিনকৈ ছুটী ল'ব পৰা ব্যৱস্থা কৰি দিয়া হৈছে।
- প্ৰব্ৰজিত শ্ৰমিকসকলৰ বাবে এটা ৰাষ্ট্ৰীয় ডাটাবেছ প্ৰস্তুত কৰা হ'ব।

# সুৰক্ষা কোড

## (স্বাস্থ্য আৰু বীমা)

**লক্ষাধিক কৰ্মীয়ে উবাৰ, অলা, ফ্লিপকাৰ্ট, এমাজন আৰু গিগৰ দৰে নতুন প্ৰযুক্তি প্লেটফ'ৰ্মসমূহ ব্যৱহাৰ কৰি আছে**

- বিপজ্জনক কামত থকা এজন কৰ্মীলৈকো ইএছআইচিৰ সুবিধা সম্প্ৰসাৰিত কৰা হৈছে
- বৃক্ষ পুলি ৰোপণ কৰা কৰ্মীসকলে ইএছআইচিৰ সুবিধা লাভ কৰিব
- ১০ জনতকৈ কম কৰ্মী থকা গোটটো স্বেচ্ছামূলকভাৱে ইএছআইচিত জাতি হোৱাৰ সুবিধা প্ৰদান কৰা হৈছে



- প্ৰতিজন কৰ্মীৰ বাবে সময়মতে দৰমহাৰ গেৰাণ্টি
- দৰমহাত কোনো ধৰণৰ লিংগ বৈষম্যতা নাথাকিব
- আঞ্চলিক বৈষম্যতা পৰিহৰি প্যঁনতম ফ্ল'ৰ দৰমহাৰ ব্যৱস্থা কৰা হৈছে

## ইপিএফঅ'ৰ সম্প্ৰসাৰণ (পেঞ্চন)

- পেঞ্চন (ইপিএফঅ')ৰ দ্বাৰা সকলো সংগঠিত আৰু অসংগঠিত খণ্ডৰ শ্ৰমিকসকল উপকৃত হৈছে।
- পেঞ্চনৰ সুবিধাসমূহ এই পৰ্যন্ত অধিসূচীত ক্ষেত্ৰসমূহৰ শ্ৰমিকসকললৈ ব্যাপ্ত আছিল যদিও এতিয়া সংগঠিত আৰু অসংগঠিত খণ্ডৰ শ্ৰমিকসকলে, তেওঁলোকৰ সংখ্যা ২০ত কৈ কম হ'লেও এই সুবিধা লাভ কৰিব।
- স্ব-নিয়োজিত খণ্ডৰ শ্ৰমিক আৰু অন্যান্য শাখাৰ শ্ৰমিকসকলকো ইপিএফঅ'ৰ আওতালৈ অনা হ'ব
- অসংগঠিত খণ্ডৰ বাবেও সামাজিক সুৰক্ষা নিধিৰ ব্যৱস্থা কৰা হ'ব
- ফিক্সড টাৰ্ম শ্ৰমিকসকলৰ বাবে গ্ৰেচুইটিত প্যঁনতম সেৱা কালৰ বাধ্যবাধকতা নাই
- নিৰ্ধাৰিত সময়ৰ বাবে কাম কৰা এজন শ্ৰমিকক নিয়মীয়া কৰ্মচাৰীৰ সম পৰ্যায়ৰ সামাজিক সুৰক্ষা প্ৰদান কৰা হৈছে
- অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ এক ৰাষ্ট্ৰীয় ডাটাবেছ প্ৰস্তুত কৰিবলৈ এটা প'ৰ্টেলৰ জৰিয়তে পঞ্জীয়ন সম্পন্ন কৰা হৈছে
- এতিয়া ২০ জনতকৈ অধিক শ্ৰমিকৰ প্ৰতিষ্ঠানে ৰিক্ত স্থানৰ বাবে অনলাইনত প্ৰতিবেদন কৰিব পাৰিব





## ঔদ্যোগিক সম্পৰ্ক (আইআৰ) কোড

- ন্যায়পীঠৰ পৰা কৰ্মীসকললৈ দ্ৰুত ন্যায়ৰ ব্যৱস্থা
- এবছৰৰ ভিতৰতে ন্যায়পীঠত গোচৰৰ মীমাংসা কৰা হ'ব
- ন্যায়পীঠৰ দুজন সদস্যই এই কাম ত্বৰান্বিত কৰিব।
- ৫১ শতাংশ ভোট লাভ কৰা ট্ৰেড ইউনিয়নলৈ স্বীকৃতি আৰু স্বীকৃত ইউনিয়নে দাবী নিষ্পত্তি কৰিব
- এখন ক্ষেত্ৰৰ সকলো ইউনিয়নৰ পৰা এখন কাউন্সিল গঠন কৰা হ'ব
- চাকৰি হেৰুওৱা যিকোনো শ্ৰমিকক অটল বীমা ব্যক্তি কল্যাণ যোজনাৰ অধীনত দৰমহা প্ৰদান কৰা হ'ব
- চাকৰি হেৰুওৱাৰ পিছত নতুন কাম শিকিবলৈ পুনৰ দক্ষতাকৰণৰ বাবে ১৫ দিনৰ দৰমহা
- ট্ৰেড ইউনিয়নসমূহক কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত স্বীকৃতি প্ৰদান কৰা হ'ব। এই স্বীকৃতি পোন প্ৰথমবাৰলৈ প্ৰদান কৰা হ'ব



## ক'ৰোনাৰ সময়ছোৱাত শ্ৰমিকসকলৰ বাবে সহায়ৰ হাত

**৮০** ৮ মাহৰ বাবে ৮০ কোটি লোকে বিনামূলীয়া ৰেচন লাভ কৰিব

- কৰ্মীসকলক ৰে'ল আৰু বাছেৰে তেওঁলোকৰ ঘৰলৈ প্ৰেৰণ কৰা হৈছে
- পিএম গৰিব কল্যাণ ৰোজগাৰ অভিযানে তেওঁলোকক ঘৰৰ কাষতে নিয়োজনৰ সুবিধা প্ৰদান কৰিব
- ১১৬ খন জিলাৰ ২৩,০০০ তকৈও অধিক শ্ৰমিক এই আঁচনিৰ জৰিয়তে সংযোজিত হৈছে

এই পৰ্যন্ত কেৱল ঠিকাদাৰ অধীনত কাম কৰি থকা প্ৰব্ৰজিত শ্ৰমিকসকলক তেনে আইনৰ অধীনত সামৰি ৰখা হয়। নতুন কোড অনুসৰি নিয়োগকৰ্তাই বছৰত এবাৰকৈ ঘৰলৈ যোৱাৰ বাবে শ্ৰমিকসকলক ভ্ৰমণ বানছ দিব লাগিব।

### কৰ্মচাৰী আৰু নিয়োজকৰ সম্পৰ্ক

চাৰিটা শ্ৰমিক কোডে শ্ৰমিক আৰু নিয়োজকৰ মাজৰ অধিকাৰত ভাৰসাম্যতা বৰ্তাই ৰাখিব। প্ৰধানমন্ত্ৰীয়ে ২০ জুলাই ২০১৫ তাৰিখে ভাৰতীয় শ্ৰমিক সন্মিলনৰ ৪৬তম অধিৱেশনৰ মুকলি অনুষ্ঠানত প্ৰদান কৰা ভাষণৰ লগত সংগতি ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত শ্ৰমিক, কৃষক আৰু কৰ্মচাৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি মন্তব্য কৰে। যদি এখন দেশৰ শ্ৰমিকসকল অসুখী হয় তেন্তে সেই দেশখন কেতিয়াও সুখী হ'ব নোৱাৰে। তেওঁ কয়, "সমাজ হিচাপে আমি শ্ৰমক মৰ্যাদা দিয়াটো প্ৰয়োজন।" তেওঁ ইয়াকো কয় যে শ্ৰমিক আৰু নিয়োজকৰ মাজত এটা সম্পৰ্ক থকা উচিত। সংস্থা এটা নিয়াৰিকৈ চলাবলৈ পৰস্পৰৰ মাজত সন্মান ভাৱ থকাটো উচিত। নিয়োজকসকল শ্ৰমিকসকলৰ প্ৰতি সহানুভূতিশীল হ'ব লাগে আৰু শ্ৰমিকসকলেও তেনে মনোভাৱ ৰখা উচিত।

> চাৰিটা শ্ৰমিক কোডে শ্ৰমিক আৰু নিয়োজকৰ মাজত ভাৰসাম্যতা বৰ্তাই ৰাখিব। প্ৰধানমন্ত্ৰীয়ে ২০ জুলাই ২০১৫ তাৰিখে ভাৰতীয় শ্ৰমিক সন্মিলনৰ ৪৬তম অধিৱেশনৰ মুকলি অনুষ্ঠানত প্ৰদান কৰা ভাষণৰ লগত সংগতি ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

### শ্ৰমিকসকলে এই আইন বুজি পাব পাৰে, অধিকাৰ লাভ কৰিব পাৰে

শ্ৰম সংস্কাৰৰ ক্ষেত্ৰত এই চৰকাৰৰ প্ৰথমটো কাৰ্যকালৰ পৰাই তেওঁলোকে স্পষ্ট নীতি নিৰ্ধাৰণ কৰিছে। শ্ৰম সংস্কাৰৰ প্ৰক্ৰিয়া সামগ্ৰিক কৰি তুলিবলৈ প্ৰধানমন্ত্ৰীয়ে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীৰ অধীনত এখন কমিটী গঠন কৰিছে। বৰ্তমানৰ শ্ৰম নীতিয়ে প্ৰকৃততেই কল্যাণমূলক পদক্ষেপ সাফল্যমণ্ডিত কৰিব পাৰিছে নে নাই এই সন্দৰ্ভত তেওঁ চিন্তা ব্যক্ত কৰে। চৰকাৰৰ

## সংগঠিত আৰু অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ বাবে যত্ন

*ভাৰতত ৫০ কোটি শ্ৰমিকৰ কৰ্মশক্তি আছে। ইয়াৰে অসংগঠিত খণ্ডৰ পৰিমাণ হ'ল ৯৩ শতাংশ আৰু এওঁলোকে শ্ৰম আইনৰ পৰা কোনো ধৰণৰ লাভ নাপায়। শ্ৰমিক সংস্থাৰ পৰা পোৱা তথ্য অনুসৰি সংগঠিত খণ্ডৰ ৭ শতাংশৰ আধাতকৈও অধিক সংখ্যকে ঠিকাভিত্তিক অথবা আউটছ'ৰ্চিং ভিত্তিত কাম কৰি আছে। কিন্তু চৰকাৰে তেওঁলোকৰ অধিকাৰৰ সুৰক্ষা প্ৰদানত ব্যৰ্থ হৈছিল। এই সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ ২০০২ চনত দ্বিতীয় শ্ৰম আয়োগে এইবুলি প্ৰতিবেদন দাখিল কৰিছিল যে শ্ৰম আইন শ্ৰম কোডলৈ পৰিৱৰ্তিত কৰিব লাগে। কিন্তু ২০০৪ চনৰ পৰা ২০১৪ চনলৈ ইয়াৰ কোনো উত্তৰণ নহ'ল। কিন্তু ২০১৪ চনত যেতিয়া প্ৰধানমন্ত্ৰীয়ে এই সন্দৰ্ভত উল্লেখ কৰিলে তেতিয়া শ্ৰম আইনসমূহ চাৰিটা কোডলৈ পৰিৱৰ্তিত কৰাৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হ'ল।*

# অসংগঠিত কৰ্মীৰ বাবে সামাজিক সুৰক্ষাৰ সুবিধা

সমগ্ৰ অসংগঠিত খণ্ডক সামাজিক সুৰক্ষাৰ আৱৰণৰ অধীনলৈ আনিবলৈ চৰকাৰে ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে। ২০১১-১২ চনত সামাজিক সুৰক্ষাৰ কোড দাবী কৰা হৈছিল। কিন্তু, জিএছটিৰ প্ৰৱৰ্তনৰ পিছত ইয়াৰ দ্ৰুত প্ৰণয়নৰ বাবে কেইবালানিও আলোচনা কৰা হৈছিল। পূৰ্বতে এয়া অসম্ভৱ বুলি বিশ্বাস কৰা হৈছিল। ৰাজ্য চৰকাৰসমূহৰ পৰা সন্মতি লাভ কৰিব পৰাকৈ জিএছটিক সৰলীকৰণ কৰা হৈছে। চৰকাৰে এই প্ৰক্ৰিয়াৰ দ্বাৰা সমাজৰ অন্তিমজন মানুহকো ইয়াৰ আওতালৈ আনিবলৈ চেষ্টা কৰিছে। সাধাৰণ মানুহৰ ভাষাত ক'বলৈ গ'লে এই সুৰক্ষা কোডে বৃহৎ উদ্যোগপতিৰ পৰা পেলনীয়া সামগ্ৰী উঠোৱাজনলৈ, সকলোৱে পেঞ্চন আৰু স্বাস্থ্যৰ সম পৰ্যায়ৰ সামাজিক সুৰক্ষা লাভ কৰিব। আনকি দৰিদ্ৰতম ব্যক্তিয়েও এই মৌলিক অধিকাৰৰ পৰা বঞ্চিত নহ'ব। বৰ্তমানে এই আটাইবোৰ আঁচনি একত্ৰিত কৰাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে



পৰিকল্পনা কৰিছে। এই কোডৰ অধীনত নাগৰিকৰ বাবে তিনিটা শাখা উপলব্ধ আছেঃ প্ৰথমতে উচ্চ শ্ৰেণী যিয়ে নিজৰ যত্ন নিজে ল'ব পাৰে, দ্বিতীয়তে কৰ্মচাৰীসকল যিয়ে নিয়োজকৰ পৰা সুবিধা লাভ কৰে আৰু তৃতীয়তে দুখীয়া শ্ৰেণী যিয়ে স্বাস্থ্য আৰু পেঞ্চনৰ সুবিধা লাভৰ বাবে পৰিশোধ কৰিবলৈ অক্ষম। আৰ্থ সামাজিক গণনা অনুসৰি তৃতীয় শাখাটোত আছে ২৩ শতাংশ আৰু চৰকাৰে এওঁলোকৰ ব্যয় বহন কৰিব। পিএফ আৰু ইএছআই এই ব্যয়ৰ অধীনত সামৰি লোৱা হ'ব। পিএফৰ ধন উলিওৱাৰ প্ৰক্ৰিয়া অপৰিৱৰ্তিত হৈ থাকিব। এই আন্তঃগাঁথনি এবাৰ প্ৰস্তুত হোৱাৰ পিছত ৰাষ্ট্ৰীয় পৰিষদ গঠন কৰা হ'ব।

**প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত শ্ৰমিক, কৃষক আৰু কৰ্মচাৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি বিশ্বাস কৰে। যদি এখন দেশৰ শ্ৰমিকসকল অসুখী হয় তেন্তে সেই দেশখন কেতিয়াও সুখী হ'ব নোৱাৰে।**

এই পদক্ষেপৰ অন্তৰালত তেওঁলোকে প্ৰত্যক্ষ কৰিছিল যে ন্যায়ালয়ৰ যুঁজত কৰ্মীসকলে অশেষ যাতনা ভুগিবলগীয়া হয় কিয়নো তেওঁলোকে ব্যয়বহুল উকীল আৰণ্টিত কৰিব নোৱাৰে। এই চাৰিটা কোডে ভাৰতক এক নতুন উচ্চতাত অৱৰোহণ কৰাব আৰু কৰ্মীসকলৰ প্ৰতি মানুহৰ চিন্তা ধাৰাও পৰিৱৰ্তিত কৰাব। সকলোৱে বাবে কল্যাণৰ চিন্তা কৰাৰ উপৰিও চৰকাৰে দেশৰ প্ৰায় ৫০ কোটি কৰ্মীৰ বাবে সুৰক্ষা, স্বাস্থ্য আৰু সন্মানজনক জীৱনশৈলী সুৰক্ষিত কৰাৰ দিশত অগ্ৰসৰ হৈছে।■



# কৃষকক উদ্যোগীলৈ ৰূপান্তৰ

কৃষিক এটা উদ্যোগ হিচাপে পুনৰ্নবীকৰণ কৰা হৈছে আৰু কৃষক সমাজ, মধ্যভোগীৰ নিষ্ঠুৰতাৰপৰা মুক্ত হৈ পৰিছে, যাৰ পৰিপ্ৰেক্ষিতত তেওঁলোক সমৃদ্ধি আৰু আত্ম-নিৰ্ভৰতাৰ পথত অগ্ৰসৰ হৈ পৰিছে, যি হৈছে আত্ম-নিৰ্ভৰ ভাৰতৰ সহৱৰ্তী। উচ্চপ্যঁনতম সমৰ্থন মূল্যৰ দৰে ব্যৱস্থাৰ জৰিয়তে কৃষকৰ দুৰ্দশা দূৰ কৰিবলৈ চৰকাৰখন অংগীকাৰবদ্ধ যি উৎপাদনী ব্যয়ৰ ডেৰ গুণ, যিয়ে ২০২২ৰ ভিতৰত কৃষকৰ উৎপাদন দুগুণ কৰি তুলিব আৰু প্ৰায় ১০ কোটি কৃষকৰ একাউন্টলৈ প্ৰায় ৭ লাখ কোটি টকা প্ৰত্যক্ষভাৱে হস্তান্তৰে এই লক্ষ্য বাস্তৱায়িত কৰাত প্ৰভূত বৰঙণি যোগাব। ‘এখন ৰাষ্ট্ৰ এটা কৰ’, ‘এখন ৰাষ্ট্ৰ, এখন ৰেচন কাৰ্ড’, আৰু চৰকাৰী চাকৰিৰ বাবে ‘এখন ৰাষ্ট্ৰ, এটা টেষ্ট’ৰ পাছত, কৃষি খণ্ডৰ বাবে ‘এখন ৰাষ্ট্ৰ, এখন বজাৰ’ প্ৰৱৰ্তনেৰে চৰকাৰখনে সংস্কাৰৰ অৰ্থে থকা নিৰলস প্ৰচেষ্টাকে প্ৰদৰ্শন কৰিছে।

**দ্য ফাৰ্মাৰ্ছ প্ৰডিউচ ট্ৰেড এণ্ড কমাৰ্ছ (প্ৰম’শ্যন এণ্ড ফেচিলিটেশ্যন) বিল, ২০২০ দ্য ফাৰ্মাৰ্ছ (এমপাৱাৰমেন্ট এণ্ড প্ৰটেকশ্যন) এগ্ৰিমেন্ট অৱ প্ৰাইজ এচুৰেন্স এণ্ড ফাৰ্ম ছাৰ্ভিচ বিল হৈছে দেশখনত অদ্যাপি সৰ্ববৃহৎ কৃষি সংস্কাৰ**

যেতিয়া কৃষক বা দুখীয়ালৈ আৰ্থিক সুবিধা আগবঢ়োৱা যায়, একাংশ অৰ্থনীতিবিদে ইয়াক ‘ৰাজসাহায্য’ বুলি অবজ্ঞা কৰে। অৱশ্যে, যদি একে সুবিধা উদ্যোগ বা বাণিজ্যলৈ আগবঢ়োৱা হয়, ইয়াক “ইনচেনটিভ” বা “অৰ্থসাহাৰ্য্য” বুলি জনাজাত হৈ পৰে। এনে ভিন্ন ভাষাই ভিন্ন অভিব্যক্তি প্ৰতিফলিত নকৰেনে? ২০১৬ৰ ৩০ জানুৱাৰীত প্ৰধানমন্ত্ৰীয়ে এই অভিমত সংবাদ মাধ্যমৰ এটি অনুষ্ঠানত আগবঢ়াইছিল আৰু পৰৱৰ্তী দিনা এটা কৃষক প্ৰতিনিধি দলকো একে কথাই কৈছিল। যিয়ে কৃষকৰ প্ৰতি তেখেতৰ ইতিবাচক পদক্ষেপকে প্ৰতিফলিত কৰি তুলিছিল। কৃষিজীৱী সমাজৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লক্ষ্যক সাৰোগত কৰি, চৰকাৰখনে, মিছা তথ্য আৰু অসত্যৰ পৰিকল্পিত উৰা-বাতৰিক একাষৰীয়া কৰি থৈ সংসদত দুখনকৈ বিধেয়ক গৃহীত কৰিবলৈ সক্ষম হয়। এই বিধেয়ক দুখনত, এবাৰতে, মেণ্ডী আৰু মধ্যভোগীৰ বন্ধন ভাঙি পেলোৱা হৈছে আৰু ই মধ্যভোগীৰ কবলৰপৰা কৃষকক প্ৰকৃত স্বাধীনতা প্ৰদান কৰিব। ২০১৬ত লাল কিল্লাৰ প্ৰাচীৰৰপৰা প্ৰধানমন্ত্ৰীয়ে এখন ৰাষ্ট্ৰ, এখন বজাৰ ব্যৱস্থা ঘোষণা কৰাৰ পাছত, তেখেতে ইয়াক মাথোন ঘোষণাতেই আৱদ্ধ নাৰাখি সোনকালে বাস্তৱায়িত কৰি তোলে


ভাষণ আগবঢ়াই, প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে চৰ্দাৰ পেটেলৰ একত্ৰীকৰণৰ সপোন অনুসৰি এক ভাৰত শ্ৰেষ্ঠ ভাৰত গঢ়ি তুলিবলৈ আগবঢ়া হৈছে। কিন্তু ভাৰত এখন এককৃত বজাৰ হ'বলৈ এতিয়াও বাকী আছে। এই দিশেৰে চৰকাৰখনে পৰ্যায়ক্ৰমিকভাৱে আগবাঢ়ে। ২০১৬ৰ ১৪ এপ্ৰিলত eNAM-প্লেটফৰ্মৰ শুভাৰম্ভণিৰ জৰিয়তে তথা সংসদত এতিয়া বিধেয়ক গৃহীত হোৱাৰ পাছত, চৰকাৰে এই লক্ষ্যই স্পষ্ট কৰি তুলিলে যে উদ্যোগৰে খোজ মিলাই কৃষি খণ্ডটোৰ উন্নয়ন সাধন কৰাই নহয় বৰঞ্চ এজন প্ৰকৃত গৰাকীৰ দৰে দেশৰ যিকোনো স্থানত কৃষকে তেওঁলোকৰ উৎপাদিত পণ্য লাভজনক মূল্যত মুক্তভাৱে বিক্ৰী কৰিবলৈ সক্ষম হৈ উঠিব। ইয়াৰোপৰি, কৃষকৰ স্বাধীনতা 'ওৱান মেণ্ডী, ওৱান লাইচেন্স'ৰ আমোলৰ দৰে আৰু হৈ নাথাকিব য'ত তেওঁলোকক এখন নিৰ্দিষ্ট কৃষি বজাৰত উৎপাদিত পণ্য বিক্ৰী কৰিবলৈ বাধ্য কৰোৱা হৈছিল যিয়ে মাথো মধ্যভোগীৰ অশুভ লক্ষ্য পূৰণতহে প্ৰৰিষ্ট আছিল। ইয়াৰ কাৰণ আছিল মধ্যভোগীয়ে অলাভজনক মূল্য প্ৰদান কৰিলেও কৃষকে তেওঁলোকৰ পণ্যদ্ৰব্য গাঁৱলৈ পুনৰ ঘূৰাই নিব নোৱাৰিছিল।

## এমএছপিঃ ব্যয়ৰ ডেৰ গুণ


এই আইন কাৰ্যকৰী হোৱাৰ পাছত ন্যূনতম সমৰ্থন মূল্য (এমএছপি) বন্ধ হ'ব বুলি বিভ্ৰান্তিৰ সৃষ্টি কৰা যায়। অৱশ্যে, সত্যটো হৈছে যে কৃষকৰ আয় দুগুণ কৰি তুলিবলৈ চৰকাৰখনে একেৰাহে এমএছপি বৃদ্ধি কৰি আহিছে বৰ্তমান ই কৃষকৰ ব্যয়ৰ ডেৰগুণ। চৰকাৰখনে ২০১৪ ৰ পৰা ২০১৯ ৰ ভিতৰত ১,৮৭০ লাখ মেট্ৰিক টন ধান সংগ্ৰহ কৰে আৰু ইয়াৰ বাবে ৪.৩৪ লাখ কোটি টকা প্ৰদান কৰে। ২০০৯ ৰপৰা ২০১৪ ৰ ভিতৰত ১,৬৭০ লাখ মেট্ৰিক টনৰ বাবে মাথো ২.৮৮ লাখ কোটি টকাহে প্ৰদান কৰা হৈছিল। বৰ্তমানৰ চৰকাৰখনে এমএছ স্বামীনাথন আয়োগৰ পৰামৰ্শ অনুসৰিয়েই এমএছপিৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## কৃষকে ভূমিৰ ওপৰত অধিকাৰ নেহেৰুৱায়

বৃহৎ পুঁজিপতিয়ে কৃষকৰ ভূমি অধিকাৰ কৰি ল'ব বুলি আন এটা মিছা কথা প্ৰচাৰ কৰা হৈছে। অৱশ্যে, বিধেয়কখনত, কৃষকৰে পুঁজিপতিয়ে যোগাযোগ কৰি ভূমিৰ মালিকীস্বত্বৰ দাবী কৰা জাতীয় কোনো দফাৰ উল্লেখ নাই। দৰাচলতে, বিধেয়কখনে ৮৬ শতাংশ ফাৰ্মৰ উন্নয়ন সাধন কৰিবলৈ বিনিয়োগৰ অৰ্থে ধন নথকা উপান্ত কৃষকক লাভান্বিত কৰি তুলিব। চৰকাৰখনে ৭,০০০ কোটি টকা বিনিয়োগেৰে ১০,০০০ ফাৰ্মাৰ প্ৰডিউচাৰ




অৰ্গেনাইজেশ্যন (এফপিঅ')ক শক্তিশালী কৰি তুলিছে। এই এফপিঅ'সমূহে কৰ্প'ৰেটৰে যোগাযোগ আৰম্ভ কৰিবলৈ ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলৰ গোট গঠন কৰাত সহায় কৰিব। এইটো সুনিশ্চিত কৰিবলৈ যে কোনেও কৃষকৰ অনুচিত সুবিধা ল'ব নোৱাৰিব, কৃষকৰ ভূমি বিক্ৰী, লীজত দিয়া অথবা বন্ধকীত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা হৈছে আৰু যিকোনো ধৰণৰ ৰিক'ভাৰীৰ বিপৰীতে ভূমি সম্পূৰ্ণ সুৰক্ষিত থাকিব। লগতে যদিও ব্যক্তিগত সম্পত্তিৰ ক্ষেত্ৰত বাধ্যতামূলক হ'লেও কৃষকৰ ক্ষেত্ৰত বাধ্যতামূলক নহয়। যদি কৃষকগৰাকী কোনো আগধন বা ধনাদায়ৰ সুবিধা নাপায়, তেতিয়া কৃষকে যিকোনো সময়ত চুক্তি স্বাক্ষৰ হ'লে কোনো জৰিমনা নোহোৱাকৈ বাতিল কৰিব পাৰিব। যদি কৃষকগৰাকীয়ে আগধন আৰু ধনৰ সুবিধা লাভ কৰে, তেতিয়াও তেওঁ সুদ নিদিয়াকৈ মূলধন ঘূৰাই যিকোনো সময়তে চুক্তি ভংগ কৰিব পাৰিব। আনহাতে, ব্যক্তিগত চুক্তিকৰ্তাই একপক্ষীয়ভাৱে চুক্তি বাতিল কৰিব নোৱাৰাৰ লগতে তেওঁ চুক্তিৰ সময়ত সন্মত হোৱা ধনৰাশি প্ৰদান কৰিব লাগিব। সেয়েহে, সকলো দিশত কৃষকগৰাকী সুৰক্ষিত থাকিব। কৃষকসকলক অধিক সবল কৰাৰ বাবে এক কাৰ্যকৰী বিবাদ নিষ্পত্তি ব্যৱস্থা প্ৰদান কৰা হৈছে।




## মণ্ডী কৰৰ পৰা মুক্তি

কৃষকসকলে পূৰ্বে ২ ৰ পৰা ৮.৫ শতাংশলৈ মণ্ডী কৰ ভৰিবলগীয়া হৈছিল। পঞ্জাৱত এই কৰৰ পৰিমাণ সৰ্বাধিক আছিল। কিন্তু এতিয়াৰে পৰা কৃষকসকলে মণ্ডীৰ বাহিৰতো সামগ্ৰী বিক্ৰী কৰিব পৰা ব্যৱস্থা হোৱাৰ লগে লগে তেওঁলোকৰ ওপৰত থকা কৰৰ বোজা হ্ৰাস পালে আৰু স্বাভাৱিকতেই সেয়া তেওঁলোকৰ আয়ত সংযোজিত হ'ল।

## কৃষকৰ আইনী ঢাল

কৃষক, যিসকল স্বাধীনতাৰ সময়ৰ পৰা ধাৰাবাহিকভাৱে শোষণৰ বলি হৈ আহিছিল, তেওঁলোকে প্ৰথমবাৰলৈ বাধাৰ পৰা মুক্ত হৈছে। নতুন আইনৰ অধীনত কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ বহু সুবিধা লাভ কৰিব।

প্ৰধানমন্ত্ৰীয়ে এই আইনসমূহ সংসদত গৃহীত কৰাটোক এক যুগান্তকাৰী ক্ষণ হিচাপে অভিহিত কৰিছে। তেওঁ কয়, "একাংশ লোক, যিসকলে দশক দশক ধৰি দেশত শাসন কৰিছিল, তেওঁলোকে এই বিষয়বোৰত কৃষকক বিপথে পৰিচালিত কৰিছিল। তেওঁলোকে কৃষকৰ উপাৰ্জনৰ মধ্যভোগী আৰু লুণ্ঠনকাৰীক সমৰ্থন কৰিছিল। এনে মিথ্যাচাৰ প্ৰচাৰ কৰা হৈছে

"নতুন কৃষি সংস্কাৰে দেশৰ প্ৰতিগৰাকী কৃষকে তেওঁলোকৰ উৎপাদিত ফচলসমূহ যিকোনো লোকক, যিকোনো স্থানত বিক্ৰী কৰাৰ স্বাধীনতা প্ৰদান কৰিব। এতিয়া তেওঁলোকৰ নিজ নিজ এলেকাৰ মণ্ডীৰ বাহিৰেও সামগ্ৰী বিক্ৰীৰ বাবে যথেষ্ট বিকল্প লাভ কৰিব। এতিয়া তেওঁ যদি মণ্ডীবোৰৰ পৰা বেছি লাভ আহৰণ কৰিব পাৰে তেন্তে তেওঁ মণ্ডীলৈ যাব আৰু তেওঁৰ উৎপাদিত ফচল বিক্ৰী কৰিব। আনহাতে তেওঁ যদি আন বেলেগ স্থানত অধিক মূল্য লাভ কৰে তেন্তে তেওঁ তালৈকে যাব আৰু সামগ্ৰী বিক্ৰী কৰিব। এতিয়াৰে পৰা তেওঁ সকলোধৰণৰ জটিলতাৰ পৰা মুক্ত।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী"

যে কৃষকসকলে আৰু আগলৈ এমএছপি লাভ নকৰে। চৰকাৰে কৃষকসকলক এমএছপিৰ জৰিয়তে উচিত মূল্য দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু পূৰ্বৰ দৰে চৰকাৰে কৃষকৰ সামগ্ৰী ক্ৰয় অব্যাহত ৰাখিব।" তেওঁ লগতে কয়, "অনাগত দিনত প্ৰৱৰ্তন হ'বলগীয়া নতুন ব্যৱস্থা অনুসৰি কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী ইচ্ছামতে দেশৰ যিকোনো বজাৰত বিক্ৰী কৰিব পাৰিব; এয়া এক ঐতিহাসিক পদক্ষেপ।"

এই আইনী ঢালসমূহৰ জৰিয়তে চৰকাৰৰ মনোভাৱ স্পষ্ট যে একবিংশ শতিকাত দেশৰ কৃষকসকলক যিকোনো কৃষি কাৰ্য, পৰিবহণ আৰু তেওঁলোকৰ সামগ্ৰীৰ বিক্ৰীৰ ক্ষেত্ৰত থকা বাধাৰ পৰা মুক্ত। প্ৰধানমন্ত্ৰীয়ে কয়, "দশক দশক ধৰি ভাৰতীয় কৃষকসকল বিভিন্ন বাধাৰ সন্মুখীন হোৱাৰ লগতে মধ্যভোগীৰ নিৰ্যাতনৰ বলি হৈছিল। সংসদত গৃহীত হোৱা এই বিধেয়কসমূহৰ জৰিয়তে কৃষকসকল এই দুৰ্দশাৰ পৰা মুক্ত হ'ল। এই বিধেয়সকসমূহে কৃষকসকলৰ উপাৰ্জন দুগুন কৰাৰ প্ৰচেষ্টাত উদগনি যোগোৱাৰ লগতে তেওঁলোকক সমৃদ্ধিশালী কৰি তুলিব। "

কিষাণ সন্মান নিধি কৃষকসকলৰ জীৱন সলনি কৰাৰ দিশত গ্ৰহণ কৰা এক ডাঙৰ পদক্ষেপ। এই আঁচনিৰ অধীনত কৃষকসকলক বছৰি তিনিটা কিস্তিত ৬,০০০টকাকৈ হস্তান্তৰ কৰা হ'ব, যাতে তেওঁলোক ঋণ ল'বলৈ বাধ্য নহয়। ২০০৮চনত তদানীন্তন চৰকাৰে কৃষকক ৭২,০০০ কোটি টকাৰ ঋণ ৰেহাই দিয়া বুলি কৈছিল যদিও প্ৰকৃততে সেই পৰিমাণ আছিল প্ৰায় ৫২,০০০ কোটি টকা। কিন্তু বৰ্তমানৰ চৰকাৰে কৃষকসকলক ঋণমুক্ত কৰাৰ বাবে ডেৰ বছৰতে ৯৪,০০০ কোটি টকা হস্তান্তৰ কৰিছে। এই ধনৰাশি কৃষসকলে অহা ১০ বছৰ মৰ্যাদা সহকাৰে জীয়াই থকাৰ এক আহিলা হ'ব, কিয়নো এই সময়ছোৱাত তেওঁলোকক তেওঁলোকৰ একাউণ্টত পোনপটীয়াকৈ ৭লাখ কোটি টকা হস্তান্তৰ কৰা হ'ব। আত্ম-নিৰ্ভৰ পেকেজ

# ‘এমএছপি থাকিব; আপোনাৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰক

**নিশ্চিত থাকক, এমএছপি অব্যাহত থাকিবঃ** কেন্দ্ৰীয় কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰৰ মতে, প্যঁনতম সমৰ্থন মূলত খাদ্য শস্য আহৰণ কৰি থকা হ'ব। তেওঁ কয় যে ইয়াৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীৰ নিশ্চিতি লাভ কৰিছে। ২০১৪ আৰু ২০২০ৰ মাজত এমএছপিৰ হাৰ লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে। আগন্তুক ৰবি বতৰৰ বাবে সংশোধিত এমএছপি ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় কৃষি মন্ত্ৰীজনে কয় যে এই বিধেয়ককেইখনৰে কৃষকৰ সম্পূৰ্ণ সুৰক্ষা নিশ্চিত কৰা হৈছে



## দ্য ফামাৰ্ছ প্ৰডিউচ ট্ৰেড এণ্ড কমাৰ্ছ প্ৰম'শ্যন এণ্ড ফেচিলিটেশ্যন, বিল, ২০২০

### প্ৰধান ব্যৱস্থাসমূহ

- ই সৃষ্টি কৰিবলগীয়া বাতাবৰণত কৃষক আৰু ব্যৱসায়ীয়ে উৎপাদিত সামগ্ৰী বিক্ৰী আৰু ক্ৰয়ৰ বাছনিৰ স্বাধীনতা লাভ কৰিব
- ই সমস্যা-বিহীন, আন্তঃ ৰাজ্যিক আৰু ৰাজ্যৰ ভিতৰৰ ব্যৱসায় আৰু ৰাজ্য নিৰ্দিষ্ট বজাৰৰ কায়িক প্ৰাংগণৰ বাহিৰৰ বাণিজ্যক প্ৰোৎসাহিত কৰিব
- কৃষকে তেওঁলোকৰ উৎপাদিত পণ্য বিক্ৰী কৰিবলৈ যাওঁতে কোনো শুল্ক বা কৰ সলনি দিবলগীয়া নহ'ব আৰু পৰিবহণ ব্যয় ভৰিবলগীয়া নহ'ব
- তদুপৰি ইয়াত ইলেকট্ৰনিক ব্যৱসায়ৰ নিশ্চিতিৰে ট্ৰেনজেকশ্যন প্লেটফৰ্মত ইলেকট্ৰনিক ট্ৰেডিঙৰ প্ৰস্তাৱ জনোৱা হৈছে
- হাট-বজাৰৰ লগতে, কৃষকে তেওঁলোকৰ ফাৰ্ম, শীতল ভড়াল, পণ্যাগাৰ, সংসাধন ইউনিট ইত্যাদিত ব্যৱসায়ৰ স্বাধীনতা লাভ কৰিব
- কৃষকে প্ৰত্যক্ষ মাৰ্কেটিঙৰে জড়িত হ'বলৈ সক্ষম হোৱাৰ পৰিপ্ৰেক্ষিতত মধ্যস্থতাকাৰী দূৰ হোৱাৰ বাবে সম্পূৰ্ণ মূল্য আদায় কৰিব পাৰিব

### সন্দেহসমূহ

- প্যঁনতম সমৰ্থন মূল্যত আহৰণ বন্ধ হৈ পৰিব
- যদি হাট-বজাৰৰ বাহিৰত কৃষি উৎপাদিত পণ্য বিক্ৰী কৰা যায়, ই ক্ৰিয়া-কলাপ ৰুদ্ধ কৰিব
- eNAM ৰ দৰে চৰকাৰৰ ইলেকট্ৰনিক ট্ৰেডিং পৰ্টেলৰ ভৱিষ্যৎ কি হ'ব

### স্পষ্টীকৰণ

- প্যঁনতম সমৰ্থন মূল্যত সংগ্ৰহ অব্যাহত থাকিব; কৃষকে তেওঁলোকৰ উৎপাদিত পণ্য এমএছপি হাৰত বিক্ৰী কৰিব পাৰিব; ৰবি বতৰৰ বাবে এমএছপি ইতিমধ্যে ঘোষণা কৰা হৈছে।
- হাট-বজাৰৰ ক্ৰিয়া-কলাপ ৰুদ্ধ নহয়, পূৰ্বৰ দৰে ব্যৱসায় অব্যাহত থাকিব। নতুন প্ৰণালীৰ অধীনত, কৃষকে তেওঁলোকৰ উৎপাদিত পণ্য হাট-বজাৰৰ লগতে আন স্থানতো বিক্ৰীৰ বিকল্প সুবিধা লাভ কৰিব
- eNAM ট্ৰেডিং চিষ্টেম হাট-বজাৰত অব্যাহত থাকিব
- ইলেকট্ৰনিক প্লেটফৰ্মত কৃষি উৎপাদিত পণ্যৰ ব্যৱসায় বৃদ্ধি পাব। ইয়াৰ ফলশ্ৰুতিত বৰ্ধিত স্বচ্ছতা প্ৰাপ্তি আৰু সময় ৰাহি হ'ব

# য'তেই আপুনি শ্ৰেষ্ঠ সুযোগ লাভ কৰে'

## দ্য ফামাৰ্ছ (এমপাৱাৰমেন্ট এণ্ড প্ৰটেকশ্যন) এগ্ৰিমেন্ট অব প্ৰাইজ এচুৰেন্স এণ্ড ফাৰ্ম ছাৰ্ভিচ বিল, ২০২০



### প্ৰধান ব্যৱস্থাসমূহ

- ই কৃষকক লেভেল পেয়িং ফিল্ডত খাদ্য সংসাধন ফাৰ্ম, পাইকাৰী বিক্ৰেতা, ডাঙৰ খুচুৰা বিক্ৰেতা, ৰপ্তানিকাৰী ইত্যাদিৰে প্ৰত্যক্ষ জড়িতকৰণত সহায় কৰিব। কৃষকে আনকি শস্য সিঁচাৰ পূৰ্বেই মূল্যৰ নিশ্চিতি লাভ কৰিব। অধিক বজাৰ মূল্যৰ ক্ষেত্ৰত, কৃষকে প্যঁনতম মূল্যৰ অতিৰিক্ত মূল্য লাভ কৰিব
- ই কৃষকৰপৰা পৃষ্ঠপোষকলৈ বজাৰ অনিশ্চয়তাৰ দুৰ্ভাৱনা হস্তান্তৰ কৰিব। পূৰ্বে মূল্য নিৰ্ণয়ৰ পৰিপ্ৰেক্ষিতত, বজাৰ মূল্যৰ বৃদ্ধি আৰু পতনৰপৰা কৃষকসকল মুক্ত হ'ব
- ই কৃষকসকলে আধুনিক প্ৰযুক্তি, উত্তম বীজ আৰু আন ইনপুট লাভৰ পথ প্ৰশস্ত কৰি তুলিব
- ই মাৰ্কেটিঙৰ ব্যয় হ্ৰাস কৰিব আৰু কৃষকৰ আয় বৃদ্ধি কৰিব
- নিষ্পত্তিৰ অৰ্থে স্পষ্ট সময়সীমাৰে ফলপ্ৰসূ বিবাদ সমাধান ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব
- কৃষি খণ্ডত গৱেষণা আৰু আধুনিক প্ৰযুক্তিৰ উদ্দীপনা যোগাব

### সন্দেহসমূহ

- চুক্তিমূলক কৃষিকাৰ্যৰ অধীনত, কৃষকসকল চাপত থাকিবলগীয়া হ'ব আৰু মূল্য নিৰ্ধাৰণ কৰিবলৈ সক্ষম নহ'ব
- চুক্তিমূলক কৃষিকাৰ্যত কিদৰে ক্ষুদ্ৰ কৃষকে প্ৰৱেশ কৰিব পাৰিব; তেওঁলোকৰপৰা পৃষ্ঠপোষক দূৰত থাকিব
- নতুন ব্যৱস্থাটোৰে কৃষকৰ সমস্যাৰ সৃষ্টি কৰিব
- বিবাদৰ ক্ষেত্ৰত, বৃহৎ কোম্পানীসমূহে সুবিধা লাভ কৰিব



### স্পষ্টীকৰণ

- চুক্তিত কৃষকে তেওঁৰ উৎপাদিত পণ্যৰ বিক্ৰী মূল্য নিৰ্ধাৰণৰ সম্পূৰ্ণ অধিকাৰ লাভ কৰিব। তেওঁলোকে সৰ্বাধিক ৩ দিনৰ ভিতৰত পেমেন্ট লাভ কৰিব।
- সমগ্ৰ দেশখনত ১০,০০০ ফাৰ্মাৰ প্ৰডিউচাৰ অৰ্গেনাইজেশ্যন গঠন কৰা হ'ব। এই এফপিঅ'সমূহে ক্ষুদ্ৰ কৃষকসকলক একত্ৰিত কৰিব আৰু কৃষি উৎপাদিত পণ্যৰ লাভদায়ক মূল্যৰ নিশ্চিতকৰণৰ অৰ্থে অগ্ৰসৰ হ'ব
- চুক্তিত স্বাক্ষৰৰ পাছত, গ্ৰাহকে ফাৰ্মৰপৰা পোনপটীয়াকৈ উৎপাদিত পণ্য আহৰণ কৰিব
- স্থানীয় বিবাদ নিষ্পত্তি ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হ'ব

# কৃষক সৱলীকৰণ

কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ পৰ্যায়ভিত্তিকভাৱে গ্ৰহণ কৰা পদক্ষেপসমূহৰপৰা চৰকাৰখনৰ কৃষিত অত্যাধিক গুৰুত্ব আৰোপৰ উমান পাব পাৰি। কৃষি উৎপাদনশীলতাৰ উন্নয়ন, কৃষকক সুৰক্ষিত কৰা আৰু তেওঁলোকৰ আয় বৃদ্ধি তথা সামগ্ৰিক কল্যাণৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। চৰকাৰখনৰদ্বাৰা গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ দ্বাৰা সাৰৰ সহজ উপলব্ধতা, জলসিঞ্চনৰ সুবিধাৰ উন্নয়ন সাধন, সহজ লোন আৰু ফচল বীমা আঁচনি, বৈজ্ঞানিক সহযোগিতা আৰু উৎপাদিত পণ্যৰ বাবে উত্তম মূল্যৰ দৰে বহু ধৰণেৰে কৃষক সমাজ লাভান্বিত হৈছে

## চিঁচাৰ পূৰ্বে

**ছইল হেল্‌থ কাৰ্ডৰ** জৰিয়তে কৃষকে সঠিক বাছনি কৰিবলৈ সক্ষম হৈছে। চৰকাৰখনে ২২.৩৯ কোটি ছইল হেল্‌থ কাৰ্ড বিতৰণ কৰিছে

**সাৰঃ** সাৰৰ কাৰণে দীঘলীয়া শাৰী এতিয়া অতীত হৈ পৰিল। কৃষকে সহজতেই সাৰ লাভ কৰিব পৰাটো চৰকাৰখনে নিশ্চিত কৰিছে। লক্ষ্যণীয়ভাৱে সাৰৰ মূল্যও হ্ৰাস পালে। দেশখনত ১০০% নীম ক'টিং সমৃদ্ধ ইউৰিয়া উপলব্ধ হ'ল। তদুপৰি ই ইউৰিয়া সাৰৰ ব্যৱহাৰ হ্ৰাস কৰি তুলিলে।

**অৰ্থঃ** কৃষিত পুঁজিৰ অভাৱে কৃষকৰ সমস্যাৰ সৃষ্টি কৰিছিল। কিন্তু এতিয়া কৃষকে নিম্ন সুতৰ হাৰত সহজতে ক্ৰেডিট লাভ কৰিব পাৰিছে

## আত্মনিৰ্ভৰ পেকেজ

২০২২ৰ ভিতৰত কৃষকৰ আয় দুগুণ কৰিবলৈ চৰকাৰখনে নিৰৱচ্ছিন্নভাৱে পদক্ষেপ গ্ৰহণ কৰি আছে। তদুপৰি ই ক'ভিড-১৯ৰ সংকটক এক সুযোগলৈ ৰূপান্তৰিত কৰিছে। কৃষিক গুৰুত্ব প্ৰদানৰ চিনস্বৰূপে চৰকাৰখনে কৃষি আন্তঃগাঁথনিৰ অৰ্থে ১ লাখ কোটি টকা, খাদ্য সংসাধনৰ বাবে ১০,০০০ কোটি টকা আৰু মৌ পালনৰ কাৰণে ৫০০ কোটি টকা নিৰ্ধাৰণ কৰিছে। ৮ জুলাই, ২০২০ত কেবিনেটৰদ্বাৰা কৃষি আন্তঃগাঁথনি পুঁজিত অনুমোদন জনোৱা হয় আৰু ৯ আগষ্ট, ২০২০ত শুভাৰম্ভ কৰা হৈছিল। এই আঁচনিখনৰ অধীনত, চৰকাৰখনে চাৰি বছৰত ১ লাখ কোটি টকা ব্যয়ৰ পৰিকল্পনা কৰে। এই আবন্টনৰ, ২০২০-২১ত ১০,০০০ কোটি টকা ব্যয়ৰ সমান্তৰালভাৱে পৰৱৰ্তী তিনিটা বিত্তীয় বৰ্ষত ৩০,০০০ কোটি টকাকৈ ব্যয় কৰা হ'ব। ২ কোটি টকালৈকে লোনত ২ শতাংশ ৰিবেটৰ ব্যৱস্থা কৰা হৈছে। কৃষি আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ প্ৰাইমেৰী এগ্ৰিকালচাৰ ক্ৰেডিট ছ'চাইটি (পিএচিএছ), এফপিঅ', কৃষি উদ্যোগীক আৰু শস্য চপোৱাৰ পৰৱৰ্তী সময়ত সহায় আগবঢ়োৱা যাব।

## কৃষকৰ আয় দুগুণৰ বাবে...

২৮ ফেব্ৰুৱাৰী, ২০১৬ত প্ৰধানমন্ত্ৰীয়ে বেৰেলীৰ এখন কৃষক সভাত সম্বোধন কৰি মনত এটা নিৰ্দিষ্ট ধাৰণা লৈ কৃষকৰ আয় দুগুণ কৰাৰ কথা ব্যক্ত কৰিছিল। তেখেতৰ সংকল্পবদ্ধ ভাষণত কৈছিল, “২০২২ ত যেতিয়া দেশখনে স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উদযাপন কৰিব, তেতিয়াই কৃষকৰ উৎপাদন হৈ পৰিব দুগুণ।”

তেতিয়াৰেপৰা চৰকাৰখনে দেশখনৰ কৃষি খণ্ডৰ স্থিতি উন্নয়নৰ অৰ্থে অবিৰাম প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই দিশত উভয় নতুন কৃষি বিধেয়কেই সৰ্ববৃহৎ সংস্কাৰ সাধন কৰিছে। চৰকাৰখনৰ ধাৰাবাহিক প্ৰচেষ্টাৰ ছবছৰে এতিয়া কৃষকক সমৃদ্ধিশালী কৰি তুলিছে।

অৰ্থনৈতিক পৰিক্ৰমাৰ কেবিনেট কমিটিৰদ্বাৰা গ্ৰহণ কৰা সিদ্ধান্তসমূহে কৃষকৰ বাবে ভাল সময় আগমণ সূচিত কৰে। আকৌ এবাৰ, চৰকাৰখনে এমএছপি বৃদ্ধিত সঁহাৰি জনায়। কেন্দ্ৰীয় কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰৰ মতে, প্ৰতি কুইন্টলত এমএছপি ঘেঁহুৰ বাবে ৫০ টকা, বুটৰ বাবে ২২৫ টকা, বাৰ্লিৰ বাবে ৭৫ টকা আৰু মচুৰৰ বাবে ৩০০ টকা বৃদ্ধি পায়।

# এক পৰ্যায় ক্ৰমত



## বীজৰোপণৰ সময়ত


- জলসিঞ্চনৰ সুবিধা সুনিশ্চিত কৰিবলৈ
- কৃষকসকললৈ সমৰ্থন আৰু দিশ-নিৰ্দেশনা
- কোটি কোটি কৃষকলৈ এছএমএছ আৰু কলৰ ৰূপত বিজ্ঞানসন্মত পৰামৰ্শ প্ৰেৰণ

## বীজৰোপণৰ পিছত

### প্ৰধানমন্ত্ৰী শস্য বীমা আঁচনি

এই আঁচনি কৃষকসকলৰ বাবে ন্যূনতম প্ৰিমিয়াম হাৰত উপলব্ধ। এই আঁচনিৰ অধীনত এটা শস্যৰ বাবে এটাই মূল্য, যেনে খাৰিফ শস্যৰ বাবে ২%, ৰবি শস্যৰ বাবে ১.৫%। প্ৰিমিয়াম হাৰত কোনো কেপিং নাই আৰু বীমাৰ পৰিমাণতো কোনো হ্ৰাস নাই। স্বাধীনতাৰ সময়ৰে পৰা কেৱল ২০ শতাংশ কৃষককেহে এই আঁচনি মুকলি হোৱালৈ বীমাৰ সুবিধা লাভ কৰিছিল।

**ই-নাম** ই-নাম হ'ল এক সংবদ্ধ অনলাইন বজাৰ যিয়ে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত থকা তথ্যৰ বৈষম্যতা দূৰ কৰে, বাস্তৱিক সময়ৰ তথ্য প্ৰদান কৰে আৰু সন্ধান তথা নিলাম প্ৰক্ৰিয়াত স্বচ্ছতা প্ৰদান কৰে।




## চৰকাৰলৈ কৃষকৰ সংস্থাসমূহৰ সমৰ্থন

দেশৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলে চৰকাৰক কৃষি সংশোধনী বিধেয়কৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। কানপুৰ, মোৰাদাবাদ, গোৰখপুৰ, ধুলে, কাঠুৱা, জব্বলপুৰ কৃষকসকলৰ উপৰিও মহাৰাষ্ট্ৰৰ জ্যেষ্ঠ কৃষক নেতা ৰাজু শেঠী (স্বাভিমানী শ্বেতকাৰী সংগঠন) আৰু অনিল ঘানৱাটে (শ্বেতকাৰী সংগঠন) কয় যে মণ্ডী ব্যৱস্থা আৰু এমএছপিৰ ব্যৱস্থা বাহাল থাকিব। নতুন বিধেয়কৰ দ্বাৰা এইসমূহত কোনো প্ৰভাৱ নপৰে। বিভিন্ন বাতৰি-কাকতৰ সম্পাদকীয় পৃষ্ঠাত নতুন কৃষি বিধেয়ক কৃষক অনুকূল হৈছে বুলি মত প্ৰকাশ কৰা হৈছে।

### কৃষক-কল্যাণ পদক্ষেপসমূহ

**কিষাণ ৰে'লঃ** চৰকাৰে সূচনা কৰা কিষাণ ৰে'লে ৰাষ্ট্ৰীয় শীতলীকৰণ যোগান শৃংখল বিকশিত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইয়াৰ দ্বাৰা কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰাত নিশ্চিতি প্ৰদান হৈছে।

**সন্মান নিধিঃ** প্ৰতিজন কৃষকৰ পৰিয়ালে প্ৰতি বছৰে ডিবিটিৰ জৰিয়তে ৬,০০০ টকাকৈ লাভ কৰিছে। ১০ কোটিতকৈও অধিক কৃষকলৈ ৯৪,০০০ কোটি টকা স্থানান্তৰিত কৰা হৈছে।

**উৎপাদনঃ** ফল-মূল আৰু শাক-পাচলিৰ উৎপাদন ৫২%লৈ বৃদ্ধি হৈছে। খাৰিফ শস্যৰ বীজৰোপণ ১৩.৯২% বৃদ্ধি হৈছে। ধানৰ খেতি ১৯.০৪% বৃদ্ধি হৈছে। জুলাই, ২০২০লৈ জৈৱিক উৎপাদনৰ ৰপ্তানি ৭৮%লৈ বৃদ্ধি পাইছে।

**উপাৰ্জনঃ** কৃষকৰ উপাৰ্জন ২০%ৰ পৰা ৬৮%লৈ বৃদ্ধি পাইছে

**ষ্টাৰ্ট-আপঃ** যুৱচামৰ মাজত কৰ্ম সংস্থাপন বৃদ্ধি কৰিবলৈ তথা কৃষকৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ কৃষিখণ্ড সম্বন্ধীয় ৩৪৬টা ষ্টাৰ্ট-আপক ৩,৬৭১.৭৫ লাখৰ পুঁজি আগবঢ়োৱা হৈছে

**উদ্যান শস্যঃ** বিগত পাঁচটা বৰ্ষত উদ্যান শস্য খণ্ডত ১০,৫০০ কোটি টকা বিনিয়োগ কৰা হৈছে। ৮.৮৩ লাখ কৃষকে নতুন প্ৰযুক্তিৰ প্ৰশিক্ষণ লাভ কৰিব।

**জলসিঞ্চনঃ** ক্ষুদ্ৰ জলসিঞ্চনৰ দ্বাৰা পানীৰ ব্যৱহাৰ বৃদ্ধি পাইছে। জলসিঞ্চনত ৫০%লৈ ব্যয় হ্ৰাস হৈছে। সাৰৰ ব্যৱহাৰ ৪২%লৈ হ্ৰাস হৈছে। ৰাসায়নিক সাৰৰ পৰিৱৰ্তে নীম-কোটেড সাৰৰ ব্যৱহাৰ বৃদ্ধি পাইছে।



# বৃহৎ নীল বিপ্লৱ





২০,০০০ কোটি টকাৰ বিনিয়োগৰে মৎস্য পালন ক্ষেত্ৰৰ বিকাশ সাধনৰ অভিলাসী প্ৰকল্প, যিয়ে খণ্ডটোৰ আধুনিকীকৰণত সহায় আগবঢ়োৱাৰ উপৰি ৰপ্তানিৰ বিপুল সম্ভাৱনীয়তা বহন কৰাৰ লগতে বিনিয়োগোত্তৰ ক্ষতিৰ আশংকা কম কৰিব আৰু ২১খন ৰাজ্যত নতুন কৰ্ম-সংস্থাপনৰ সম্ভাৱনা সৃষ্টি কৰিব

পৰিসৰৰ হিচাপত ভাৰতৰ অৰ্থনীতি পৃথিৱীৰ গুৰুত্বপূৰ্ণ অৰ্থনীতিৰ অন্যতম। পৃথিৱীৰ চতুৰ্থ বৃহৎ মৎস্য ৰপ্তানি কৰোতা দেশ হিচাপে ভাৰতে মৎস্য পালন খণ্ডৰ পৰিসৰ আৰু অধিক ব্যাপক কৰাৰ পৰিকল্পনা হাতত লৈছে। এতিয়া খণ্ডটোৰ মাজৰ সম্পৰ্ক-সূত্ৰ শক্তিশালী কৰাৰ প্ৰাসংগিকতা স্বীকাৰ কৰি চৰকাৰে এই ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰিছে। এনে প্ৰেক্ষাপটতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা’ (পিএমএমএছওৱাই), ‘ই-গোপালা এপ’ আৰু মৎস্য পালন, দুগ্ধ উৎপাদন, পশু পালন আৰু কৃষি আদি ক্ষেত্ৰৰ অধ্যয়ণ-গৱেষণা আদিৰে জড়িত আন বহুবোৰ পদক্ষেপ গ্ৰহণ কৰাৰ কথা যোৱা ১০ ছেপ্টেম্বৰ ২০২০ তাৰিখে ভিডিঅ কনফাৰেন্স ব্যৱস্থাৰে ঘোষণা কৰিছিল। আগন্তুক

## পাঁচোটা স্তম্ভ


১ মাছুৰৈ আৰু কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰা

২ মাছৰ উৎপাদন প্ৰতি বছৰে বৰ্তমানৰ ১৫০লাখ টনৰ পৰা আগন্তুক ৫ বছৰত বছৰি ২২০লাখ টনলৈ বৃদ্ধি কৰা

৩ বৰ্তমানৰ ৪৬,৬০০ কোটি টকাৰ পৰা বাৰ্ষিক আয় ১ লাখ কোটি টকালৈ বৃদ্ধি কৰা

৪ ফচল কটাৰ পিচত হোৱা ক্ষতিৰ পৰিমাণ বৰ্তমানৰ ২০-২৫ শতাংশৰ পৰা ১০ শতাংশলৈ হ্ৰাস কৰা

৫ খণ্ডটোত ৫৫লাখ কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰা



# বহনক্ষমতা লাভ কৰাৰ দিশত মৎস্য পালন খণ্ড

## MAKING WAVES

- ২০১৪ চনত চৰকাৰে ‘নীল বিপ্লৱ’-ৰ ঘোষণা কৰিছিল। মীন পালনৰ বাবে প্ৰথমটো কাৰ্যকালত চৰকাৰখনে ২৬০০ কোটি টকা বিনিয়োগ কৰিছিল। ১৯৪৭চনৰ পৰা  যোৱা ৬৭টা বছৰত এই ক্ষেত্ৰত মাত্ৰ ৩,৬৮২ কোটি টকাৰহে বিনিয়োগ হৈছিল।
- ২০১৪ চনৰ পৰা খণ্ডটোত এক নতুন পৰিৱৰ্তনৰ সূচনা হোৱাটো পৰিলক্ষিত হৈছিল। এক লক্ষণীয় পাৰদৰ্শিতাৰ নিদৰ্শন দাঙি ধৰি পূৰ্বৰ বছৰি ৫.২ শতাংশৰ বিপৰীতে দুগুণে প্ৰগতি কৰি প্ৰগতিৰ হাৰ ১১শতাংশলৈ বৃদ্ধি কৰে।
- খণ্ডটোৰ বাবে এক বহনক্ষম পৰিকল্পনা গ্ৰহণ কৰা হৈছে। আগন্তুক ৫টা বছৰত ‘আত্মনিৰ্ভৰ ভাৰত পেকেজ’ৰ



অধীনত ২০,০৫০ কোটি টকাৰে এই পৰিকল্পনা ৰূপায়িত কৰা হ’ব। ইয়াৰে ৰচ্‌ছ্ৰুজ্ব কোটি টকা সাগৰীয় মীন পালন আৰু ‘একুৱাকালচাৰ’ত ব্যয় কৰা হ’ব।
- মৎস্য ৰপ্তানিৰ পৰিমাণো ৪৬,৬৬২ কোটি টকালৈ বৃদ্ধি পায়। ২০১৪-১৫ৰ পৰা ২০১৮-১৯ৰ মাজৰ সময়ছোৱাত এই বৃদ্ধিৰ হাৰ ৯.৭১ শতাংশ হয়।

---

- শেহতীয়া আঁচনিয়ে মাছ ধৰা জাহাজৰ বাবে বীমাৰ সুযোগ প্ৰদান কৰিছে; সেইদৰে জাহাজ, নাও, জৈৱ শৌচাগাৰ, লুণীয়া পানীত একুৱাকালচাৰ, ক্ষাৰকীয় এলেকা, সাগৰ মিত্ৰ, নিউক্লিয়াছ বীডিং চেণ্টাৰ, মৎস্য পালন আৰু একুৱাকালচাৰ ষ্টাৰ্টআপ এপ্, সংহত একুৱা পাৰ্ক, উপকূলীয় মৎস্য-পালক গাঁৱৰ বিকাশ, একুৱাটিক পৰীক্ষাগাৰ আৰু এইবোৰৰ সা-সুবিধা, ই-বাণিজ্য, বিপণন ইত্যাদিৰ বাবে বিত্তীয় সহযোগিতা আগবঢ়াইছে।
- প্ৰথম পৰ্যায়ত দেশৰ ২১খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১,৭২০ কোটি টকা বিনিয়োগৰে প্ৰকল্প ৰূপায়িত হৈ আছে। ‘প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা’ৰ জৰিয়তে উৎপাদন, মানসম্পন্ন প্ৰযুক্তিৰ ব্যৱহাৰ, ফচল কটাৰ পিচৰ আন্তঃগাঁথনি নিৰ্মাণ আৰু প্ৰবন্ধনত থকা ত্ৰুতি আঁতৰোৱাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। তদুপৰি, মীন পালনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাপনাৰ পৰিসৰ সম্প্ৰসাৰিত কৰাৰ লগতে মাছুৱৈসকলৰ কল্যাণ সাধনকো এই যোজনাৰ লক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছে।
- খণ্ডটোৰ বাবে এক বহনক্ষম পৰিকল্পনা গ্ৰহণ কৰা হৈছে। আগন্তুক ৫টা বছৰত ‘আত্মনিৰ্ভৰ ভাৰত পেকেজ’ৰ অধীনত ২০,০৫০ কোটি টকাৰে এই পৰিকল্পনা ৰূপায়িত কৰা হ’ব। ইয়াৰে ১২,৩৪০ কোটি টকা সাগৰীয় মীন পালন আৰু ‘একুৱাকালচাৰ’ত ব্যয় কৰা হ’ব

---

৪-৫ বছৰত দেশৰ ২১খন ৰাজ্যত ২০,০০০ কোটি টকাৰে ৰূপায়িত হ’ব লগা ‘পিএমএমএছওৱাই’ আঁচনিখন ইতিমধ্যে ঘোষণা কৰা হৈছে। ইয়াৰে ১,৭০০ কোটি টকাৰে ৰূপায়িত হ’ব লগা এলানি প্ৰকল্পৰ শুভাৰম্ভ যোৱা ১০ ছেপ্টেম্বৰ ২০২০ত কৰা হৈছিল। এইসমূহ প্ৰকল্পৰ জৰিয়তে আমাৰ গাঁওসমূহৰ শক্তিৰ্বৰ্দ্ধন কৰাৰ লগতে ২১ শতিকাত ভাৰতক আত্মনিৰ্ভৰ কৰি তোলাৰ অভিপ্ৰায় আছে বুলি এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে অভিমত ব্যক্ত কৰে।

আঁচনিখনে মৎস্য পালনৰ লগতে মৎস্য উৎপাদকসকলৰ বাবে নতুন আন্তঃগাঁথনি, আধুনিক উপকৰণ আৰু

নতুন বজাৰত প্ৰৱেশৰ সুযোগ প্ৰদান কৰিব বুলি মন্তব্য কৰে। তেওঁ কয়, স্বাধীনতাৰ পিচত এই প্ৰথমবাৰৰ বাবে মৎস্য পালন খণ্ডৰ বাবে ইমান বৃহৎ পৰিসৰত আঁচনি ঘোষণা কৰা হৈছে। ২০১৪ চনৰ আগলৈকে খণ্ডটোৰ উন্নয়নৰ বাবে পূৰ্বৰ চৰকাৰসমূহে ৩,৬৮২ কোটি বিনিয়োগ কৰিছিল। পিছে, ২০১৪ চনৰ পিছৰ সময়ছোৱাত এই পৰ্যন্ত ২৬০০ কোটি টকা বিনিয়োগ কৰাৰ লগতে ২০,০০০ কোটি টকা বিনিয়োগৰ পৰিকল্পনা হাতত লৈছে।

আগন্তুক ৩-৪বছৰৰ ভিতৰত মাছৰ ৰপ্তানিৰ পৰিমাণ বৰ্তমানৰ দুগুণলৈ বৃদ্ধি কৰাৰ লগতে মৎস্য পালন খণ্ডত নতুন কৰ্ম সংস্থাপন সৃষ্টিৰ উদ্দেশ্য সাৰোগত কৰা হৈছে। আঁচনিখনৰ জৰিয়তে নতুন প্ৰযুক্তিৰ সদ্ব্যৱহাৰ, জৰুৰী আন্তঃগাঁথনিৰ উন্নয়ন, মূল্যমান শৃংখলৰ সবলীকৰণ আৰু নিয়োগ সম্ভাৱনা সৃষ্টি কৰিব পৰা যাব। মাছ ব্যৱসায়ৰে জড়িতসকলকো আঁচনিখনে উপকৃত কৰিব।

স্বাধীনতাৰ পিচত মীন পালন খণ্ডত সৰ্বাধিক বিনিয়োগৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে আগন্তুক বছৰচেৰেকত মাছৰ ৰপ্তানি দুগুণলৈ বৃদ্ধি কৰা হ'ব। মীন পালন খণ্ডই আগবঢ়োৱা সম্ভাৱনাসমূহৰ সৰ্বাধিক সুযোগ গ্ৰহণ কৰাৰ লক্ষ্যৰেই এটা নতুন মন্ত্ৰালয় গঠন কৰাৰ লগতে 'স্বচ্ছ গংগা মিছন' আৰু 'মিছন ডলফিনে'ও খণ্ডটোক উপকৃত কৰিব। মৎস্য পালনৰ লগতে আন প্ৰকাৰেও খণ্ডটোৰে জড়িতসকলক আয় বৃদ্ধিৰ সুযোগ দিব বুলি তেওঁ প্ৰসংগতে উল্লেখ কৰে। মাছ, গাখীৰ আৰু মৌৰ উৎপাদন বৃদ্ধিৰে এই প্ৰয়াসে 'নীল বিপ্লৱ'কো আগুৱাই নিব।

## পশুধনৰ বাবে 'ই-গোপালা'ই 'ভাৰ্চুৱেল' বজাৰ বিকশিত কৰিব

পশুধনৰ বাবে 'ই-গোপালা এপ্'-এ বজাৰৰ দিহা কৰিব। আঁচনিখনৰ অধীনত বিহাৰৰ পাটনা, পুৰ্ণীয়া, সীতামাৰ্হি, মধেপুৰা, কিষাণগঞ্জ আৰু সমষ্টিপুৰ আদি জিলাত বহুকেইটা প্ৰকল্পৰ শুভাৰম্ভ কৰা হৈছে। এইসমূহ প্ৰকল্প ৰাজ্যখনৰ বাবে খুবেই জৰুৰী কিয়নো, ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ৮৬ শতাংশই গাঁৱত বসবাস কৰে আৰু ইয়াৰে ৭৬ শতাংশই কৃষি আৰু পশুপালনেৰে জীৱিকা নিৰ্বাহ কৰি আহিছে।




'ই-গোপালা এপ্'-ৰ সহায়ত পশুধনৰ সন্ধান কৰি থকাসকলে পশুপালন সম্পৰ্কীয় সকলো তথ্য লাভ কৰিব পাৰিব। তেওঁলোকে পশুধনৰ ক্ৰয়-বিক্ৰয় কৰাৰ লগতে মান সম্পন্ন প্ৰজনন সেৱা, পশুধনৰ বাবে আয়ুৰ্বেদিক ঔষধৰ উপৰি পশু পালনৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শাৱলী, টীকাকৰণ সম্পৰ্কীয় তথ্য-পাতি এই 'এপ্'-ৰ জৰিয়তে লাভ কৰিব পাৰিব।

প্ৰধানমন্ত্ৰীয়ে সীতামাৰ্হিত মাছৰ পোণৰ বেংক স্থাপন কৰাৰ লগতে 'প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা'ৰ অধীনত কিষাণগঞ্জত সামুদ্ৰিক ৰোগৰ পৰামৰ্শদান পৰীক্ষাগাৰৰ স্থাপন কৰে। তদুপৰি মধেপুৰাত মাছৰ দানা প্ৰস্তুত কৰা কল, পাটনাত দুটা 'ফিছ অন হুইল' গোটও উদ্বোধন কৰে। ইফালে, বিহাৰৰ পুছাৰ 'ড০ ৰাজেন্দ্ৰ প্ৰসাদ কেন্দ্ৰীয় কৃষি বিদ্যালয়'ত এটা 'বিস্তৃত মৎস্য উৎপাদন প্ৰযুক্তি কেন্দ্ৰ' আৰু 'পশু চিকিৎসা বিশ্ববিদ্যালয়'ত এটা 'আইভিএফ লেব'ৰেটৰী'ৰো উদ্বোধন কৰা হয়।

SCAN QR CODE FOR COMPLETE INFORMATION ON PMMSY



# উন্নতিৰ ন-দিগন্তৰ দিশে বিহাৰ

**সৰ্বাত্মক বিকাশ সম্ভৱ কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে বহু সংখ্যক প্ৰকল্পৰ ৰূপায়ণ কৰিছে। বিশুদ্ধ খোৱা পানীৰ যোগানৰ পৰা, নৈ পাৰ-ঘাট, ঘাইপথৰ উন্নয়ন, আবৰ্জনা পৰিশোধন প্ৰকল্পলৈকে উন্নয়ন অভিযান অব্যাহত**

দেশৰ ৰাজ্যসমূহৰ উন্নয়নক চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। বিশেষকৈ, পূব প্ৰান্তৰ ৰাজ্যসমূহৰ উন্নয়নক সৰ্বাধিক গুৰুত্ব দিব বিচৰা হৈছে। ইয়াৰ ভিতৰত স্বাভাৱিকতেই অন্যতম হিচাপে বিবেচিত হৈছে বিহাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ পূব প্ৰান্তৰ ৰাজ্যসমূহৰ উন্নয়নৰ কথা সদায়ে কৈ আহিছে। বাস্তৱত সেয়া সম্ভৱ কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰীয়ে যোৱা ১৫ ছেপ্টেম্বৰত বিহাৰত 'নমামী গংগে' আৰু 'অটল মিছন ফৰ ৰিজুভেনেটিং এণ্ড আৰবান ট্ৰেন্সফৰমেশ্যন(অম্ৰুত)ৰ অধীনত বহুকেইটা প্ৰকল্পৰ শুভাৰম্ভ কৰিছিল।

১৫ ছেপ্টেম্বৰ ২০২০ত বিহাৰৰ বেউৰ আৰু পাটনাৰ কৰামালিচকত দুটা আবৰ্জনা পৰিশোধন প্ৰকল্প, ছিৱান আৰু ছাপ্ৰাত 'অম্ৰুত' যোজনাৰ অধীনত দুটা পানী যোগান সম্পৰ্কীয় প্ৰকল্পৰ শুভাৰম্ভ ঘোষণা কৰাৰ উপৰি মুংগেৰ আৰু জামালপুৰত দুটা পানী যোগান প্ৰকল্প আৰু 'নমামী গংগে'ৰ অধীনত মুজাফৰপুৰ জিলাত নদীৰ ঘাট উন্নয়ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। শেহতীয়া ৪-৫টা বছৰত 'অম্ৰুত' আৰু ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আঁচনিৰ জৰিয়তে বিহাৰৰ চহৰাঞ্চলৰ বহু লক্ষ পৰিয়াললৈ বিশুদ্ধ খোৱা পানীৰ যোগান নিশ্চিত কৰা হৈছে বুলি তথ্য উল্লেখ কৰে প্ৰধানমন্ত্ৰীয়ে। ■

### চাম্পাৰণত এলপিজি বটলিং প্ৰকল্প

১৩৬.৪ কোটি টকাৰ বিনিয়োগেৰে স্থাপন কৰা বটলিং প্ৰকল্পটোত বছৰি ৮৪.৫০লাখটা চিলিণ্ডাৰত গেছ ভৰোৱাৰ সামৰ্থ্য আছে। এই প্ৰকল্পই পূব চাম্পাৰণ, পশ্চিম চাম্পাৰণ, মুজাফৰপুৰ, ছিৱান, গোপালগঞ্জ আৰু সীতামৰ্হিৰ লগতে উত্তৰ প্ৰদেশৰ কুশীনগৰ জিলাকো উপকৃত কৰিব।

### কোশী দলঙৰ কাম সম্পূৰ্ণ হ'ল

ক'ৰোনা মহামাৰীৰ মাজতে ৫১৬কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ১.৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠে।

### আবৰ্জনা তথা নৈ পাৰ-ঘাট উন্নয়ন

বেউৰ আৰু পাটনা মহানগৰীৰ কৰামালিচকত আবৰ্জনা পৰিশোধন প্ৰকল্প উদ্বোধন কৰাৰ উপৰি 'অম্ৰুত' যোজনাৰ অধীনত ছিৱান আৰু ছাপ্ৰা জিলাত পানী সংসাধন প্ৰকল্প উদ্বোধন কৰে প্ৰধানমন্ত্ৰীয়ে। ইফালে মুংগেৰ আৰু জামালপুৰৰ খোৱা পানীৰ সমস্যা সমাধানৰ লক্ষ্যৰে পানী যোগান প্ৰকল্প আৰু 'নমামী গংগে' যোজনাৰ অধীনত মুজাফৰপুৰ জিলাত নৈ পাৰ-ঘাট উন্নয়ন সম্পৰ্কীয় প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

### নৈ পাৰ-ঘাট উন্নয়ণ আঁচনি

'নমামী গংগে' আঁচনিৰ অধীনত মুজাফৰপুৰ মহানগৰীৰ তিনিটা ঘাটৰ বিকাশ সাধন কৰা হৈছে। শৌচাগাৰ, তথ্যকেন্দ্ৰ, প্ৰসাধন গৃহ, পদপথ, ঘণ্টাঘৰ, টালি-টোপোলা সংৰক্ষণ কেন্দ্ৰ, নিৰাপত্তা আৰু পোহৰৰ ব্যৱস্থা কৰা হ'ব।

### তিনিমাহৰ ভিতৰত মুংগেৰ-ভগলপুৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাম

'স্থলপথ পৰিবহণ আৰু ঘাইপথ বিভাগ'ৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে বিহাৰৰ মুংগেৰ-ভাগলপুৰ ৰাষ্ট্ৰীয় ঘাইপথ ৮০ৰ ১২০কিলোমিটাৰ দৈৰ্ঘ্যৰ মুংগেৰ-ভাগলপুৰ-তিৰপতি-কহালগাঁও পথৰ পকীকৰণৰ এক প্ৰস্তাৱলৈ অনুমোদন জনাইছে।



# পদপথৰ ব্যৱসায়ীসকলে লাভ কৰিছে সহায়ৰ হাত

**ক'ভিড-১৯ৰ দ্বাৰা জৰ্জৰিত লক্ষাধিক পদপথৰ ব্যৱসায়ীয়ে তেওঁলোকৰ ভংগপ্ৰায় ব্যৱসায় পুনৰুজ্জীৱিত কৰিবলৈ কেন্দ্ৰৰ পৰা সাহায্য লাভ কৰিছে**

পদপথৰ ব্যৱসায়ীসকলে অসংগঠিত নগৰীয়া অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে কিন্তু ক'ভিড-১৯ৰ ফলত বলৱৎ কৰা লকডাউনে তেওঁলোকৰ জীৱিকাত প্ৰতিকূল প্ৰভাৱ পেলাইছে। লকডাউনৰ সময়ছোৱাত বজাৰসমূহ বন্ধ হৈ আছিল আৰু জনসাধাৰণ ঘৰৰ ভিতৰতে সোমাই থাকিবলৈ বাধ্য হৈছিল, ফলত পদপথৰ ব্যৱসায়ীসকলৰ ব্যৱসায় মন্দাৰ সন্মুখীন হ'বলগীয়া হৈছিল। পদপথৰ ব্যৱসায়ীসকলে তেওঁলোকৰ ব্যৱসায় পুনৰ আৰম্ভ কৰিব পৰাকৈ তেওঁলোকক কৰ্ম মূলধন প্ৰদান কৰাটো অতিশয় আৱশ্যক বুলি চৰকাৰে অনুধাৱন কৰিছিল। ব্যৱসায়ীসকলক উদ্বিগ্নমুক্ত কৰিবলৈ ১ জুন, ২০২০ তাৰিখে প্ৰধানমন্ত্ৰী স্বনিধি আঁচনি মুকলি কৰা হৈছিল। ৯ ছেপ্টেম্বৰ, ২০২০ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য প্ৰদেশৰ পদপথৰ ব্যৱসায়ীসকলৰ সৈতে বাৰ্তালাপ কৰিছিল আৰু কৈছিল যে এই মহামাৰীৰ ফলত দৰিদ্ৰসকল আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। "দৰিদ্ৰসকলে নিয়োজন হেৰুৱাইছে, খাদ্যৰ সমস্যাৰ সন্মুখীন হৈছে আৰু তেওঁলোকৰ সঞ্চিত ধন ব্যয় হৈছে", প্ৰধানমন্ত্ৰীয়ে এইদৰে কৈ মহামাৰীৰ সময়ছোৱাত পদপথৰ ব্যৱসায়ীসকল আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে বুলি মন্তব্য কৰে। এই পৰ্যন্ত পিএম স্বনিধি আঁচনিৰ অধীনত ১১,১২,১৮৯ খন আবেদন লাভ কৰা হৈছে আৰু

> লঘু ঋণ আৰু কৰ্ম মূলধনৰ একক বিত্তীয় সমৰ্থনৰ দ্বাৰা ক্ষুদ্ৰ ব্যৱসায়ীসকল উপকৃত হ'ব। ইতিমধ্যেই এই ঋণসমূহৰ দ্বাৰা ১.০৪ লাখ পদপথৰ ব্যৱসায়ী উপকৃত হৈছে।

“



এই আঁচনিৰ উদ্দেশ্য হ'ল ব্যৱসায়ীসকলে যাতে তেওঁলোকৰ কাম পুনৰ আৰম্ভ কৰিব পাৰে তাৰে বাবে সহজ মূলধনৰ নিশ্চিতি প্ৰদান কৰা। স্ব-বিত্তপোষণৰ পৰা স্ব-নিয়োজনলৈ, স্ব-নিয়োজনৰ পৰা স্ব-জীৱিকালৈ আৰু স্ব-জীৱিকাৰ পৰা স্ব-সন্মান লাভৰ ক্ষেত্ৰত স্বনিধি আঁচনি এক গুৰুত্বপূৰ্ণ মাইলষ্টোন হিচাপে বিবেচিত হ'ব

”

-প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

৩,৯৫,১২০টা ঋণৰ অনুমোদন প্ৰদান কৰা হৈছে তথা ১,০৪,০৬২টা মুকলি কৰি দিয়া হৈছে। ■

হিতাধিকাৰীসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপৰ বাবে কিউআৰ কোড স্কেন কৰক




## বিশেষ ক্ষুদ্ৰ ঋণ আঁচনি

- এই আঁচনি সম্পূৰ্ণৰূপে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা বিত্তপোষিত
- ই এবছৰৰ বাবে ১০,০০০ টকা পৰ্যন্ত কৰ্ম মূলধনৰ সুবিধা প্ৰদান কৰে
- নিৰ্ধাৰিত সময়ৰ পূৰ্বে ধন পৰিশোধ কৰিলে কোনো ধৰণৰ প্ৰাক-পৰিশোধ জৰিমণা ভৰিব নালাগে
- এই আঁচনি মাৰ্চ ২০২২লৈ বাহাল থাকিব
- সময়মতে অথবা আগতীয়াকৈ পৰিশোধ কৰিলে ৭ শতাংশৰ সুতৰ সাহায্য লাভ কৰিব
- ডিজিটেল লেনদেনত মাহিলী কেশ্ব-বেকৰ সাহায্য
- প্ৰথম ঋণৰ সময়মতে পৰিশোধত উচ্চ পৰিমাণৰ ঋণৰ যোগ্যতা

## এই সুবিধা কেনেকৈ লাভ কৰিব

- এয়া সকলো নগৰাঞ্চলৰ পদপথৰ ব্যৱসায়ীসকলৰ বাবে উপলব্ধ হ'ব
- ঋণৰ বাবে কোনো ঋণদাতা প্ৰতিষ্ঠানৰ পৰা সমান্তৰাল জামিন গ্ৰহণ কৰা নহ'ব
- অধিসূচীত বাণিজ্যিক বেংক, আঞ্চলিক গ্ৰামীণ বেংক, ক্ষুদ্ৰ বিত্ত বেংক, সহযোগিতামূলক বেংক, নন-বেংকিং বিত্তীয় উদ্যোগ, ক্ষুদ্ৰ-বিত্তীয় প্ৰতিষ্ঠান আৰু এছএইচজি বেংকসমূহক ঋণদাতা প্ৰতিষ্ঠান হিচাপে বিবেচনা কৰা হৈছে
- ব্যৱসায়ৰ চাৰ্টিফিকেট, ইউএলবি/টিভিচিৰ পৰা প্ৰশস্তি পত্ৰ, ব্যৱসায়ৰ বাবে পুৰণি ঋণৰ নথি, যিকোনো পদপথৰ ব্যৱসায়ী সংস্থাৰ সদস্যভুক্তিৰ নথি-পত্ৰ অথবা অন্য যিকোনো নথি-পত্ৰ যাৰ দ্বাৰা ব্যক্তিজন যে এজন ব্যৱসায়ী সেয়া প্ৰতিপন্ন কৰে

# ভৱিষ্যতৰ বাবে অসামৰিক প্ৰশাসক




**বিষয়াসকলে প্ৰশাসনত ভৱিষ্যতে প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ সামৰ্থ গঢ়াই ইয়াৰ উদ্দেশ্য আৰু মিশ্যন কৰ্মযোগীয়ে দক্ষতা আৰু গতিশীলতাসহ দুৱাৰদলিত সেৱা যোগান ধৰাত গুৰুত্ব আৰোপ কৰিব**

এক দেশ, এক ৰেচন কাৰ্ড আৰু ৰাষ্ট্ৰীয় নিয়োগ সংস্থাৰ পাছত এতিয়া চৰকাৰে মিছন কৰ্মযোগী অভিযানেৰে আগবাঢ়ি অহাটো আমোলাতন্ত্ৰৰ বাবে এক ঐতিহাসিক মুহূৰ্ত। দক্ষ জনসেৱা সৰবৰাহৰ বাবে ই ব্যক্তি আৰু প্ৰাতিষ্ঠানিক পৰ্যায়ত সক্ষমতা সৃষ্টিৰ সৰঞ্জামৰ এক বিস্তৃত সংস্কাৰ। অভিযানৰ লক্ষ্য মানুহৰ বাবে জীৱনযাত্ৰাৰ স্বাচ্ছন্দ্য নিশ্চিত কৰা আৰু এক নতুন ভাৰতৰ বাবে এক নতুন ভৱিষ্যতৰ বাবে অসামৰিক সেৱা নিৰ্মাণ কৰা।

মিছন কৰ্মযোগীৰ লক্ষ্য হৈছে অসামৰিক কৰ্মচাৰীসকলক ভৱিষ্যতৰ বাবে অধিক সৃজনীশীল, গঠনমূলক, কল্পনাপ্ৰৱণ, উদ্ভাৱনী, সক্ৰিয়, পেছাদাৰী, প্ৰগতিশীল, শক্তিশালী, সক্ষম, স্বচ্ছ আৰু প্ৰযুক্তি সক্ষম কৰি গঢ়ি তোলা। টুইটৰ এক শৃংখলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল যে মিছন কৰ্মযোগীয়ে চৰকাৰত মানৱ সম্পদ পৰিচালনাৰ অনুশীলনসমূহৰ আমোল উন্নতি সাধিব।





যদিহে ঐক্যৰ শীৰ্ষতম সাফল্যৰ দৃষ্টিকোণ নাথাকে, নামৰে মূল্যসম্পন্ন কোনো সেৱাই অস্তিত্ব বৰ্তাই ৰখাৰ দাবী কৰিব নোৱাৰে।

চৰ্দাৰ বল্লভভাই পেটেল

প্ৰাক্তন গৃহমন্ত্ৰী

### পৰিবৰ্তনৰ সময়

এয়া অসামৰিক সেৱাৰ বাবে এক পৰিবৰ্তনৰ সময় আছিল যেতিয়া দেশৰ প্ৰথমগৰাকী গৃহমন্ত্ৰীয়ে ১৯৪৭ চনৰ ২১ এপ্ৰিলত আইএএছ প্ৰবেশ্যনাৰ সকলক উদ্দেশ্যি কৈছিলঃ মই আপোনাসৰক প্ৰশাসনৰ চূড়ান্ত নিৰপেক্ষতা আৰু অবিচ্ছিন্নতা ৰাখিবলৈ পৰামৰ্শ আগবঢ়াম। এগৰাকী অসামৰিক সেৱকে ৰাজনীতিত অংশ ল'ব নোৱাৰে আৰু কৰিবও নোৱাৰে। তেওঁ নিজকে সাম্প্ৰদায়িক বিবাদত লিপ্ত কৰাবও নোৱাৰে। ইয়াৰ কোনো এটা ক্ষেত্ৰতেই দক্ষতাৰ পথৰ পৰা আঁতৰি যোৱাটো হ'ব জনসেৱা সমাপ্ত কৰা আৰু ইয়াৰ গৰিমা হ্ৰাস কৰা। একেদৰে যদিহে ঐক্যৰ শীৰ্ষতম সাফল্যৰ দৃষ্টিকোণ নাথাকে, নামৰে মূল্যসম্পন্ন কোনো সেৱাই অস্তিত্ব বৰ্তাই ৰখাৰ দাবী কৰিব নোৱাৰে।

### সামৰ্থ গঢ়া যোজনা

এক অনুৰূপ চিন্তাৰ প্ৰক্ৰিয়াৰে প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত কেন্দ্ৰীয় মন্ত্ৰী সভাই প্ৰাতিষ্ঠানিক কাঠামোৰ সৈতে অসামৰিক সেৱাৰ সামৰ্থ গঢ়া(এনপিচিএছচিবি)ৰ বাবে এক ৰাষ্ট্ৰীয়



## সামৰ্থ গঢ়া আয়োগৰ ভূমিকা

- বাৰ্ষিক সামৰ্থ গঢ়া যোজনাত অনুমোদন জনোৱাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী ৰাজহুৱা মানৱ সম্পদ পৰিষদক সহযোগ কৰা
- অসামৰিক সেৱাৰ সক্ষমতা বৃদ্ধিৰ সৈতে সম্পৰ্কিত সকলো কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ওপৰত কাৰ্যকৰী তদাৰকী কৰাৰ বাবে
- আভ্যন্তৰীণ আৰু বাহ্যিক ফেকাল্টী আৰু সম্পদ কেন্দ্ৰসমূহৰ সৈতে শ্বেয়াৰড লাৰ্ণিং ৰিচৰ্ছে সৃষ্টি কৰা
- সামৰ্থ গঢ়া যোজনা পৰিকল্পনা বাস্তৱায়নৰ বাবে সমন্বয় আৰু তদাৰকী কৰা
- প্ৰশিক্ষণ আৰু সামৰ্থ গঢ়াৰ বিষয়ত ছুপাৰিশ কৰা
- কমন মিড-কেৰিয়াৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে আদৰ্শ স্থাপন কৰা
- এইচ আৰ পৰিচালনাৰ ক্ষেত্ৰত নীতিগত হস্তক্ষেপৰ পৰামৰ্শ দিয়াৰ বাবে

### বিত্তীয় আভাস

- এনপিচিএছচিবিৰ বাবে এখন বিশেষ উদ্দেশ্যজনিত বাহন(এছপিভি) স্থাপন কৰা হ'ব। ইয়ে iGOT-কৰ্মযোগী মঞ্চ পৰিচালনা কৰিব
- প্ৰায় ৪৬লাখ চৰকাৰী কৰ্মচাৰীক সামৰিবলৈ ২০২০-২১ৰ পৰা ২০২৪-২৫লৈকে মুঠ ৫১০.৮৬কোটি টকা খৰচ কৰা হব
- চৰকাৰৰ ফালৰ পৰা এছপিভিয়ে সকলো বৌদ্ধিক সম্পত্তিৰ অধিকাৰ লাভ কৰিব
- iGOT-কৰ্মযোগী মঞ্চৰ সকলো ব্যৱহাৰকাৰীৰ প্ৰদৰ্শন মূল্যায়নৰ বাবে এটা উপযুক্ত পৰ্যবেক্ষণ আৰু মূল্যায়ন কাঠামোও স্থাপন কৰা হ'ব

কাৰ্যসূচী আৰম্ভ কৰাত অনুমোদন দিয়ে।

অসামৰিক কৰ্মচাৰীসকলৰ বাবে সামৰ্থ বৃদ্ধিৰ ভেটি স্থাপনৰ বাবে এনপিচিএছচিবি সাৱধানতাৰে ডিজাইন কৰা হৈছে যাতে তেওঁলোক ভাৰতীয় সংস্কৃতি আৰু সংবেদনশীলতাত আৱদ্ধ থাকে আৰু তেওঁলোক শিপাৰ সৈতে সংযুক্ত হৈ থাকে। ইণ্টিগ্ৰেটেড গৱৰ্ণমেণ্ট অনলাইন ট্ৰেইনিং-iGOT কৰ্মযোগী মঞ্চ স্থাপনৰ জৰিয়তে কাৰ্যসূচী প্ৰচাৰ কৰা হব। 'চৰকাৰত এইয়া সৰ্ববৃহৎ মানৱ সম্পদ বিকাশ সংস্কাৰ ', কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী প্ৰকাশ জাভড়েকাৰে কয়।

প্ৰস্তাৱিত iGOT কৰ্মযোগী মঞ্চক সমৰ্থন কৰাৰ বাবে দুই কোটিৰ অধিক কৰ্মকৰ্তাৰ সামৰ্থ বৃদ্ধিৰ বাবে অত্যাধুনিক আন্তঃগাঁথনিমূলক বিকাশৰ প্ৰচেষ্টা চলিছে। মঞ্চখন এনে সামগ্ৰীৰ বাবে এক স্পন্দনশীল আৰু বিশ্বমানৰ বজাৰৰ স্থানলৈ বিকশিত হ'ব যেতিয়া সাৱধানতাৰ সৈতে সজ্জিত আৰু পৰীক্ষিত ডিজিটেল ই-লাৰ্ণিং উপলব্ধ কৰা হব।

### 'আৰম্ভ'ৰ সৈতে ই আৰম্ভ হয়

প্ৰধানমন্ত্ৰী আৰু চৰকাৰৰ শীৰ্ষ অগ্ৰাধিকাৰসমূহৰ ভিতৰত মানৱ সম্পদ পৰিচালনাৰ বিষয়টো অন্যতম। কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী জীতেন্দ্ৰ সিঙৰ মতে ২০১৭ চনত প্ৰধান মন্ত্ৰীয়ে মুছৌৰিৰ চিভিল চাৰ্ভিছ একাডেমী পৰিদৰ্শন কৰিবলৈ যোৱাৰ সময়তে এই সংস্কাৰৰ আধাৰশিলা স্থাপন কৰা হৈছিল। প্ৰশিক্ষক, প্ৰশিক্ষাৰ্থীৰ সৈতে একাধিক আলোচনাৰ পাছত পাইলট প্ৰকল্প 'আৰম্ভ'ৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰকল্প অনুসৰি, ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰা মতে আৰু বৰ্তমানৰ প্ৰয়োজনীয়তা অনুসৰি প্ৰশিক্ষণৰ বিদ্যমান পেটাৰ্ণটিক এইদৰে পৰিৱৰ্তন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ■



## আপোনাৰ খাকী পোছাকযোৰৰ প্ৰতি কেতিয়াও শ্ৰদ্ধা নেহেৰুৱাবঃ প্ৰধানমন্ত্ৰী

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় আৰক্ষী সেৱা (আইপিএছ)ৰ প্ৰবেশ্যনাৰী বিষয়াসকলৰ সৈতে এক ভিডিঅ' কনফাৰেন্সযোগে তেওঁলোকক খাকী পোছাকযোৰৰ প্ৰতি কেতিয়াও শ্ৰদ্ধা নেহেৰুৱাবলৈ পৰামৰ্শ দিয়ে।

চৰ্দাৰ বল্লভ ভাই পেটেল নেশ্যনেল পুলিচ একাডেমীত ৪ ছেপ্টেম্বৰ, ২০২০ত অনুষ্ঠিত দীক্ষান্ত পেৰেড সমাৰোহত মন্তব্য কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে যে সকলো প্ৰবেশ্যনাৰী বিষয়াই তেওঁলোকৰ এই খাকী পোছাকযোৰক ক্ষমতাৰ বাহক বুলি জ্ঞান কৰাতকৈ ইয়াক লৈ গৰ্বিত হোৱা উচিত। "আপোনাৰ খাকী পোছাকযোৰৰ প্ৰতি কেতিয়াও শ্ৰদ্ধা নেহেৰুৱাব। আৰক্ষী বাহিনীয়ে কৰা ভাল কামৰ বাবে, বিশেষকৈ এই ক'ভিড-১৯ মহামাৰীৰ জৰুৰীকালীন সময়ছোৱাত দেশৰ আৰক্ষী বাহিনীয়ে কৰা কামৰ বাবে আৰক্ষীৰ এই খাকী পোছাকযোৰৰ মাজত থকা মানৱীয়তাৰ সুন্দৰ পৰিচয় মানুহৰ মনৰ মাজত সোমাই গৈছে", তেওঁ কয়।

প্ৰধানমন্ত্ৰীয়ে কয়, "এই পৰ্যন্ত এক সুৰক্ষিত পৰিৱেশৰ মাজত আপোনালোক প্ৰশিক্ষাৰ্থী হৈ আছিল। কিন্তু এই একাডেমীখনৰ বাহিৰলৈ ওলোৱা মাত্ৰকে সমগ্ৰ পৰিৱেশ মুহুৰ্ত্ততে সলনি হৈ পৰিব। আপোনাৰ প্ৰতি থকা মানুহৰ মনোভাৱ, ধাৰণা সকলো সলনি হৈ পৰিব। আপোনাৰ ব্যক্তিত্বও সলনি হ'ব। গতিকে অতি সচেতন হওঁক, প্ৰথম ইম্প্ৰেশ্যনেই শেষ ইম্প্ৰেশ্যন। আপুনি য'লৈকে স্থানান্তৰ হ'ব ত'লৈকে আপোনাৰ এই ভাৱমূৰ্তিয়ে আপোনাক অনুসৰণ কৰিব।"

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে টুইট কৰিছেঃ 'তেওঁলোকে ইয়াৰ সুৰক্ষা আৰু অখণ্ডতা সুনিশ্চিত কৰি অত্যন্ত সমৰ্পণৰ সৈতে ৰাষ্ট্ৰৰ বাবে সেৱা আগবঢ়াওক। মই বিশ্বাসী যে সেৱাৰ প্ৰতি তেওঁলোকৰ অংগীকাৰে আমাৰ যুৱকসকলক ভাৰতীয় আৰক্ষী সেৱাত যোগদান কৰিবলৈ অনুপ্ৰাণিত কৰিব।'

SCAN QR CODE FOR PM'S INTERACTION WITH IPS PROBATIONERS

# এইচ এছ টি ডি ভি সফলতাৰে মুকলি কৰা চতুৰ্থখন দেশ হৈছে ভাৰত

## হাইপাৰ্ছনিক ক্রুইজ ভেহিকল মুকলি কৰাৰ লগে লগে প্ৰতিৰক্ষা খণ্ডত বৃহৎ পদক্ষেপ আগবঢ়ালে দেশে

হাইপাৰ্ছনিক টেকনলজি ডেমনষ্ট্ৰেচন ভেইকলৰ ফ্লাইট টেষ্টৰ সৈতে হাইপাৰ্ছনিক এয়াৰ ব্ৰেথিং স্ক্ৰেমজেট টেকনলজিৰ অনুশীলনেৰে ভাৰতে হাইপাৰ্ছনিক ক্ৰুইজ ভেহিকল সফলতাৰে মুকলি কৰে।

ডিফেঞ্চ ৰিছাৰ্চ এণ্ড ডেভেলপমেন্ট অৰ্গেনাইজেছনে ড০ এ পি জে আব্দুল কালাম লঞ্চ কমপ্লেক্সৰ পৰা উৰিষ্যাৰ হুইলাৰ আইলেণ্ডত ৭ ছেপ্টেম্বৰ, ২০২০ত এইচ এছ টি ডি ভিৰ সফলতাৰে ফ্লাইট টেষ্ট সম্পন্ন কৰে। একাধিক ট্ৰেকিং ৰাডাৰ, ইলেক্ট্ৰ অপ্টিকেল ছিষ্টেম আৰু টেলিমেট্ৰি ষ্টেচনে এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ পৰ্যবেক্ষণ কৰে।

এক প্ৰামাণ্য ছলিড ৰকেট মটৰ ব্যৱহাৰ কৰি ইয়াক মুকলি কৰা হয়, যি ইয়াক ৩০ কিলোমিটাৰৰ উচ্চতালৈ লৈ যায়। লঞ্চ ভেইকলৰ পৰা ক্ৰুইজ ভেইকল পৃথক হয় আৰু পৰিকল্পনা মতেই কাম সম্পন্ন হয়। ■




"ডিআৰডিঅ'ই সফলতাৰে স্থানীয়ভাৱে বিকশিত স্ক্ৰেমজেট প্ৰ'পালছন ছিষ্টেম ব্যৱহাৰ কৰি হাইপাৰছনিক টেকন'ল'জী ডেমনষ্ট্ৰেচন ভেহিকলৰ ফ্লাইট পৰীক্ষণ কৰিছে। মই ডিআৰডিঅ'ক এই মাইলৰ খুঁটি লাভৰ দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰতৰ বীক্ষণ বাস্তৱায়িত কৰাত অভিনন্দন জনাইছো।
প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং"

### হাইপাৰ্ছনিক টেকনলজি কি?

ৰকেট আৰু মিছাইলক হাইপাৰ্ছনিক স্পীডত গতি কৰিবলৈ সক্ষম কৰি তোলা প্ৰযুক্তিয়েই হৈছে হাইপাৰ্ছনিক টেকন'লজি। শব্দৰ গতিবেগতকৈ পাঁচগুণ অধিক গতিবেগত যোৱাকো কেতিয়াবা হাইপাৰ্ছনিক বুলি কোৱা হয়। ষ্টেৰইডত হাইপাৰ্ছনিকক ছুপাৰছনিক বুলিও কোৱা হয় আৰু ই অতিপাত বেগীতকৈও বেগী। ছুপাৰছনিক গতি শব্দৰ গতিবেগতকৈও অধিক বেগী।

### ভাৰত কেনেকৈ লাভবান হ'ব?

- এই প্ৰযুক্তি ৰকেট আৰু মিছাইলৰ বাবে ব্যৱহাৰ কৰিব পাৰি। এই প্ৰযুক্তিয়ে কম সময়ত লক্ষ্যত আঘাত কৰাত সহায় কৰিব।
- ই ইন্ধন বচোৱাটো সহায় কৰিব, বিশেষকৈ ৰকেট বায়ু মণ্ডলত থকালৈকে। সেয়ে যানখন তুলনামূলকভাৱে পাতল হ'ব।

# স্বচ্ছ ভাৰতৰ সপোন উপলব্ধি কৰি

১০ কোটিতকৈও অধিক শৌচাগাৰ আৰু ১০০ শতাংশ মুকলিত শৌচমুক্ত গাঁৱৰ সৈতে দেশখন এতিয়া লেতেৰা-মুক্ত ভাৰত হোৱাৰ বাবে প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ সাজু




২ অক্টোবৰ, ২০১৪ত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে অনাময় ব্যৱস্থাৰ ওপৰত আলোকপাত কৰিবলৈ আৰু সাৰ্বজনীন অনাময় পৰিসৰত উপনীত হ'বলৈ চলোৱা প্ৰচেষ্টা দ্ৰুত কৰিবলৈ স্বচ্ছ ভাৰত মিছন আৰম্ভ কৰে। গণ আচৰণৰ ব্যাপক পৰিৱৰ্তন, গৃহস্থী আয়ত্বাধীন আৰু সমূহীয়া টইলেট নিৰ্মাণ, টইলেট নিৰ্মাণ তথা ব্যৱহাৰৰ পৰ্যবেক্ষণৰ জৰিয়তে ২০১৯ৰ ভিতৰত গ্ৰামাঞ্চলসমূহক মুকলিত মলত্যাগৰ পৰা বিৰত ৰখাৰ লক্ষ্যৰে দেশজুৰি এক অভিযান হিচাপে এই মিছন চলোৱা হয়। গ্ৰামীণ ভাৰতত ১০০ নিযুতৰো অধিক শৌচালয় নিৰ্মাণ কৰি ২ অক্টোবৰ, ২০১৯ত ভাৰতে নিজকে 'অপেন ডিফেকচন ফ্ৰী' হিচাপে ঘোষণা কৰি এই মিছনৰ ব্যাপক সফলতা প্ৰতিপন্ন কৰিছে।

এতিয়া, ঘৰত শৌচালয় নিৰ্মাণেই হওক বা নগৰাঞ্চলত ৰাজহুৱা শৌচালয় নিৰ্মাণেই হওক, সফলতাৰ হাৰ লক্ষ্যতকৈ অধিক। ঘৰুৱা শৌচালয় নিৰ্মাণৰ সফলতাৰ হাৰ ১০৫% হৈছেগৈ। সমূহীয়া আৰু ৰাজহুৱা শৌচালয়ৰ ক্ষেত্ৰত ই ১১৭% ফল লাভ কৰিছে।

২০১৪ চনৰ ১৫ আগষ্টত সমগ্ৰ দেশক সম্বোধি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে ২০১৯ৰ ২ অক্টোবৰত মহাত্মা গান্ধীৰ ১৫০তম জন্ম জয়ন্তী ভাৰতক মলমুক্ত কৰাৰ লগতে গাঁৱৰ ঘৰে ঘৰে শৌচালয় নিৰ্মাণ কৰি মুকলিত মল ত্যাগ নকৰাৰ সংকল্পেৰে পালন কৰিবলৈ আহ্বান জনাইছিল। বৰ্তমান সকলো গাঁৱকে অ' ডি এফ শাখাত অন্তৰ্ভুক্ত কৰাৰ পিছত এতিয়া চৰকাৰৰ লক্ষ্য হৈছে অ' ডি এফ+, যাৰ লক্ষ্য হৈছে গাঁৱৰ ঘৰবিলাকৰ লগতে মহানগৰত থকা শৌচালয়বিলাকৰ সু-পৰিচালনা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা নিশ্চিত কৰাৰ ব্যৱস্থা কৰা।


সমান্তৰালভাৱে ৰে'লত বায়'টইলেটৰ ব্যৱস্থা কৰি ৰে'লপথবিলাকো পৰিষ্কাৰকৈ ৰখাৰ ব্যৱস্থা কৰা হৈছে।

এই আন্দোলনৰ প্ৰতি জনসাধাৰণক আকৰ্ষিত কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে দেশৰ লগতে আন্তৰ্জাতিক মঞ্চতো এই বিষয়ে গুৰুত্বসহকাৰে আলোকপাত কৰি আহিছে। লালকিল্লাৰ পৰা দেশবাসীক উদ্দেশ্যি দিয়া ভাষণতে হওক বা আমেৰিকাৰ হাউডি মোদী অনুষ্ঠানৰ ভাষণতে হওক, মোদীয়ে স্বচ্ছ ভাৰত অভিযানৰ সফলতাৰ কথা উল্লেখ নকৰাকৈ থকা নাই আৰু এই সফলতা ভাৰতৰ জনসাধাৰণেই সম্ভৱ কৰি তোলাৰ কথা কৈছে।

দেশৰ জনসাধাৰণক স্বচ্ছ ভাৰত মিছনত জড়িত কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে সদায় উদাহৰণ দাঙি ধৰাত বিশ্বাস কৰে। ২০১৪ চনৰ ২ অক্টোবৰত নতুন দিল্লীৰ বাল্মিকী সদনৰ পৰা তেওঁ এই অভিযান আৰম্ভ কৰিছিল, হাতত ঝাড়ু লৈ ৰাজপথ পৰিষ্কাৰ কৰি জনগণকো তেনে কৰিবলৈ উদগণি যোগাইছিল।

## বিদেশী ৰাষ্ট্ৰতো স্বচ্ছ ভাৰতৰ কথা

২০১৯ৰ ২২ ছেপ্টেম্বৰত হাউডি মোদী অনুষ্ঠানত, প্ৰধানমন্ত্ৰীয়ে কৈছিল যে যোৱা ৭০টা বছৰ ধৰি গ্ৰামীণ ভাৰতৰ অনাময় ব্যৱস্থা অতি পুতৌ লগাকৈ ৩৮.৭০% আছিল। বৰ্তমানৰ চৰকাৰে ৫বছৰত ১১কোটিৰো অধিক শৌচালয় নিৰ্মাণ কৰিছে আৰু গ্ৰাম্য শৌচালয় ব্যৱস্থাই ৯৯শতাংশ স্পৰ্শ কৰিছে।



“স্বচ্ছ ভাৰতৰ সফলতা মোৰ নহয়। মই এই সাফল্যৰ কৃতিত্বৰ অধিকাৰী নহয়, এয়া হ'ল জনসাধাৰণৰ। স্বচ্ছ ভাৰতৰ সপোন ১০০ জন মহাত্মা গান্ধী অথবা ১০০০ জন নৰেন্দ্ৰ মোদী থাকিলেও নহ'লহেঁতেন যদিহে ১২৫ কোটি ভাৰতীয়ই ঐক্যবদ্ধভাৱে আগবাঢ়ি আহি এই সপোন বাস্তৱায়িত নকৰিলেহেঁতেন”

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

## সত্যই কথা কয়

| | ● ঘৰৰ শৌচাগাৰ | | ● ৰাজহুৱা শৌচাগাৰ | |
|---|---|---|---|---|
| | লক্ষ্য | ৫৮,৯৯,৬৩৭ | লক্ষ্য | ৫,০৭,৫৮৯ |
| | প্ৰকৃত তথ্য | ৬২,১৬,১১৪ | প্ৰকৃত তথ্য | ৫,৯৪,৬৫৮ |
| | লক্ষ্যৰ 105% | | লক্ষ্যৰ 117 % | |

- গুগল মেপত এনএইচএআইৰ ৫০০ টয়লেট ব্লককে ধৰি ২৯০ খন চহৰত ৬০,০০০ত কৈও অধিক টয়লেট
- চৰকাৰৰ স্বচ্ছতা এপ ১.৫৫ কোটিতকৈও অধিক নাগৰিকে ডাউনলোড কৰিছে

### স্বচ্ছ ভাৰত অভিযান (গ্ৰামীণ)

- ২ অক্টোবৰ ২০১৪ তাৰিখৰ পৰা ১০,৬৫,৫৬,১৬৫ টা ঘৰুৱা টয়লেট ব্লক নিৰ্মাণ কৰা হৈছে
- ৬,০৩,১৭৭ খন অ'ডিএফ গাঁও
- ২,৬২,৭৩৬ খন অ'ডিএফ গাঁও পঞ্চায়ত
- ৭০৬ খন অ'ডিএফ জিলা
- ৩৬ খন অ'ডিএফ ৰাজ্য/কেন্দ্ৰীয়শাসিত প্ৰদেশ

ঘৰত নিৰ্মাণ কৰা টয়লেটসমূহৰ সংখ্যা কিদৰে বৃদ্ধি হৈছে- আইএইচএইচএল (শতাংশত)

| | |
|---|---|
| ২ অক্টোবৰ, ২০১৪ | ৩৮.৭ |
| ২০১৫-২০১৬ | ৫০.৮৫ |
| ২০১৬-২০১৭ | ৬৪.৯২ |
| ২০১৭-২০১৮ | ৮৪.১৯ |
| ২০১৮-২০১৯ | ৯৮.২৮ |
| ২০১৯-২০২০ | ১০০ |
| ২০২০-২০২১ | ১০০ |

### স্বচ্ছ ভাৰত (নগৰ)

মুক্তস্থানত মলত্যাগ মুক্ত (নগৰ)

| | |
|---|---|
| মুঠ চহৰ ৪৩,৭২২ | স্বীকৃতিপ্ৰাপ্ত (অ'ডিএফ +) ১৬৩২ (৩৭%) |
| ঘোষিত অ'ডিএফ ৪৩২৩ (৯৯%) | স্বীকৃতিপ্ৰাপ্ত ৪৮৯ (১১%) |
| (অ'ডিএফ+) স্বীকৃতিপ্ৰাপ্ত চহৰসমূহ ৪২০৪ (৯৬%) | |

পাঁচ তাৰকাৰ সৈতে আৱৰ্জনামুক্ত চহৰসমূহ

| ৰাজ্য | জিলা | চহৰ |
|---|---|---|
| চত্তিশগড় | সুৰগুজা | অম্বিকাপুৰ |
| গুজৰাট | ৰাজকোট | ৰাজকোট |
| গুজৰাট | চুৰাট | চুৰাট |
| কৰ্ণাটক | মহীশূৰ | মহীশূৰ |
| মধ্য প্ৰদেশ | ইন্দোৰ | ইন্দোৰ |
| মহাৰাষ্ট্ৰ | থানে | নবী মুম্বাই |

# প্ৰধানমন্ত্ৰীয়ে স্বচ্ছ ভাৰত অভিযান সন্দৰ্ভত কয়

বিগত ছবছৰৰ তথ্যৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চৰকাৰৰ দায়বদ্ধতাৰ উমান পাব পাৰি। প্ৰধানমন্ত্ৰীয়ে লালকিল্লাৰ পৰা নিয়মীয়াকৈ স্বচ্ছ ভাৰত অভিযানৰ আপডেট দি আহিছে। একাংশ উক্তিঃ

## 2020

গান্ধীৰ জন্মজয়ন্তীৰ ১৫০সংখ্যক বৰ্ষত ভাৰতবৰ্ষই ইয়াৰ গাওঁসমূহক মুকলিত শৌচমুক্ত কৰিলে।

## 2019

মই আত্মবিশ্বাসী যে ২০১৯ৰ অনাগত কেইটামান সপ্তাহৰ ভিতৰত ভাৰতবৰ্ষ মুকলিত শৌচমুক্ত দেশ হিচাপে চিহ্নিত হ'ব। ৰাজ্য , গাঁও, পৌৰ নিগম, সংবাদ মাধ্যম সকলোৱে মুকলিত শৌচমুক্ত অভিযানক লৈ এক গণ আন্দোলন আৰম্ভ কৰিছে।

## 2018

মই যেতিয়া ২০১৪ত লালকিল্লাৰ পৰা স্বচ্ছ ভাৰতৰ কথা কৈছিলো, তেতিয়া কিছুমান মানুহে হাঁহিছিল। জাতিৰ পিতা বাপুজীয়ে তেওঁৰ জীৱনকালত স্বাধীনতাকৈও স্বচ্ছতাৰ ওপৰত অধিক গুৰুত্ব দিছিল।

## 2016

আমাৰ দেশত মহিলাৰ আত্মসন্মানক অত্যন্ত গুৰুত সহকাৰে গ্ৰহণ কৰা হয়। এনে প্ৰেক্ষাপটত মুকলিত শৌচ কৰাৰ অভ্যাস বন্ধ হোৱা উচিত।

## 2015

২০১৯চনত আমি মহাত্মা গান্ধীৰ ১৫০সংখ্যক জন্মবাৰ্ষিকী পালন কৰিম। গান্ধীজীৰ ১৫০সংখ্যক জন্মবাৰ্ষিকীত আমি তেওঁক 'স্বচ্ছ ভাৰত' উপহাৰ দিব লাগিব।

## 2014

দেশৰ সকলো স্কুলত ছোৱালীৰ বাবে পৃথক শৌচালয় থকা উচিত। তেতিয়াহে আমাৰ কন্যাসকলে আধাতে স্কুল এৰিবলৈ বাধ্য নহ'ব।

### কঠিন আৱৰ্জনা ব্যৱস্থাপনা

দৈনিক ১,৪২,৫৮ মেট্ৰিক টন আৱৰ্জনা সৃষ্টি

৮৩,২১৩টা ৱাৰ্ডত দৈনিক ৯৫,০৬৬ মেট্ৰিক টন আৱৰ্জনা ঘৰে ঘৰে সংগ্ৰহ

আৱৰ্জনা মুক্ত চহৰ (ষ্টাৰ ৰেটিঙছ)

| | |
|---|---|
| ১ ষ্টাৰ | ৬৪ |
| ৩ ষ্টাৰ | ৮৬ |
| ৫ ষ্টাৰ | ৬ |

### HOW SBM SAVES MONEY, LIFE AND GENERATES JOBS

- ইউনিচেফৰ ২০১৭ৰ প্ৰতিবেদন অনুসৰি, গাওঁসমূহ মুকলিত শৌচ মুক্ত হোৱাৰ ফলত প্ৰতিটো পৰিয়ালৰ ৫০,০০০টকা ৰাহি হৈছে। এইখিনি ধন তেওঁলোকে পূৰ্বে বেমাৰৰ নামত ব্যয় কৰিবলগীয়া হৈছিল।
- ২০১৮ৰ বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰতিবেদন অনুসৰি, এই মিছনে ৩লাখ লোকৰ জীৱন ৰক্ষা কৰিছে।
- ২০১৯ৰ ইউনিচেফৰ প্ৰতিবেদন মতে, স্বচ্ছ ভাৰত অভিযানে অক্টোবৰ, ২০১৪ আৰু ফেব্ৰুৱাৰী, ২০১৯ৰ মাজৰ সময়ছোৱাত গ্ৰাম্য ভাৰতত ৭৫.৫লাখ ফুল-টাইম চাকৰিৰ সৃষ্টি কৰিছে।

### গ্ল'বেল গ'লকীপাৰ এৱাৰ্ডঃ

নিউয়ৰ্কৰ দ্য বিল এণ্ড মেলিণ্ডা গেটছ ফাউণ্ডেচনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক যোৱা ছেপ্তেম্বৰ, ২০১৯ত স্বচ্ছ ভাৰত অভিযানৰ সফলতাৰ বাবে গ্ল'বেল গ'লকীপাৰ এৱাৰ্ড আগবঢ়ায়। ফাউণ্ডেচনে কয় যে এই অভিযানৰ জৰিয়তে ৫০কোটি লোকে স্বাস্থ্য সুৰক্ষা লাভ কৰে। ■

# মহামাৰী প্ৰতিৰোধ

## ক'ভিড-১৯ মহামাৰীৰে যুঁজ দিবলৈ আৰোগ্যতকৈ আগতীয়া সাৱধানতা অধিক প্ৰয়োজনীয় আৰু এক ক্ৰমৰ্বদ্ধমান আৰোগ্যৰ হাৰেৰে ভাৰতে সফলতাৰে এই কাম কৰি আছে।



১৫ অক্টোবৰত পালন কৰা বিশ্ব হাত ধোৱা দিৱসৰ আৱশ্যকতা ক'ভিড-১৯ মহামাৰীৰ সময়ত কাৰ্যকৰী। হাত ধোৱা আৰু ছেনিটাইজ কৰা, মাস্ক ব্যৱহাৰ আৰু দুগজ দূৰত্ব বজাই ৰখাৰ ওপৰত জোৰ দি দেশে ক'ৰোনা মহামাৰীৰ বিৰুদ্ধে সফলতাৰে যুঁজ দি দৈনিক আৰোগ্য লাভৰ এক উচ্চ স্তৰত উপনীত হৈছে। এনেদৰে নিতৌ আৰোগ্য লাভৰ উৰ্ধমুখী গতিয়ে ১৭ ছেপ্টেম্বৰ, ২০২০ত ৭৮.৬৪ স্পৰ্শ কৰিছেগৈ।

অভূতপূৰ্ব বৃদ্ধিৰে ভাৰতত এদিনতে অৰ্থাৎ ২১ ছেপ্টেম্বৰ ২০২০ তাৰিখে আৰোগ্যৰ অভিলেখ ৰচনা হয়। এদিনতে ১ লক্ষাধিক (১,০১,৪৬৮) লোকে নতুনকৈ আৰোগ্য লাভ কৰে। ইয়াৰ সৈতে মুঠ আৰোগ্যৰ সংখ্যা প্ৰায় ৪৫ লাখ (৪৪,৯৭,৮৬৭) হৈছে। ইয়াৰ দ্বাৰা আৰোগ্যৰ হাৰ ৮০.৮৬ হৈছে। ভাৰতে ইয়াৰ জৰিয়তে আৰোগ্যৰ ফালৰ পৰা বিশ্বৰ শীৰ্ষৰ দেশসমূহৰ মাজত নিজৰ নাম সন্নিৱিষ্ট কৰিবলৈ সক্ষম হৈছে।

### 'ই-সঞ্জীৱনীক্সয়ে সম্পন্ন কৰিলে ৩ লাখ টেলি-কনছালটেচন

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ ক্সই-সঞ্জীৱনী' টেলি মেডিচিন ছাৰ্ভিচে ৩ লাখ দূৰ পৰামৰ্শ সম্পন্ন কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ডও হৰ্ষ বৰ্ধনে ৯ আগষ্ট, ২০২০ত মঞ্চখনে ১.৫ লাখ দূৰ পৰামৰ্শ সম্পন্ন কৰা উপলক্ষে আয়োজিত এখন সভাত অধ্যক্ষতা কৰিছিল। তেতিয়াৰ পৰা এমাহৰ ভিতৰতে মঞ্চখনে এই সংখ্যা দুগুণ কৰে। ■

### ৪৪ লক্ষাধিক ৰোগীয়ে আৰোগ্য লাভ কৰিছে

**ক'ৰোণাৰ বিৰুদ্ধে ভাৰতৰ যুঁজ**

২২ ছেপ্টেম্বৰ, ২০২০ত




**ভাৰতত ৫০,৩৫,০৫৫টা সংক্ৰমণৰ ঘটনা**

আৰোগ্যৰ হাৰ **৮০.৮৬%**

৪৪,৯৭,৮৬৭ জন ৰোগীৰ আৰোগ্য লাভ। ১০০জনৰ মাজৰ পৰা ৮০ জন সুস্থ। মৃত্যুৰ হাৰ ১.৫৯%।

২১ ছেপ্টেম্বৰত ১,০১,৪৬৮ জন ৰোগীয়ে আৰোগ্য লাভ কৰিছে

১০খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত প্ৰদেশ ক্ৰমে মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, তামিলনাডু, উত্তৰ প্ৰদেশ, ওড়িশা, কেৰালা, পশ্চিম বংগ, পাঞ্জাব আৰু দিল্লীত আছে আৰোগ্য লাভ কৰা ৰোগীৰ ৭৯% ।

মাৰ্চ ২০২০ৰ পৰা আইছলেচন বেক্সড ৩৬.৩ গুণ বৃদ্ধি হৈছে, আই চি ইউ বেক্সড বৃদ্ধি হৈছে ২৪.৬

অক্সিজেন ছাপক্ৰ্ট থকা ২,৩১, ৯৩খন বেক্সড আৰু ভেণ্টিলেটৰ থকা ৩২,৫৭৫খন বেক্সড আছে

(এই সংখ্যা ২২ ছেপ্টেম্বৰলৈকে, উৎসঃ স্বাস্থ্য মন্ত্ৰালয়)







# জনসাধাৰণৰ সৱলীকৰণ

চৰকাৰে ৰূপায়ন কৰা বিভিন্ন আঁচনিয়ে দেশৰ সকলো প্ৰান্তৰ জনসাধাৰণক ব্যাপকভাৱে উপকৃত কৰিছে আৰু তেওঁলোকে এতিয়া এই আঁচনিসমূহৰ উপকাৰ সন্দৰ্ভত মুকলিকৈ প্ৰকাশ কৰে।

## মহম্মদ শ্বাফীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীন)ৰ অধীনত ঘৰ লাভ কৰে




প্ৰধানমন্ত্ৰী আৱাস যোজনাই বহুতকে সপোন ঘৰ এখন দিয়াত সহায় কৰিছে। জম্মু আৰু কাশ্মীৰৰ পুঞ্চ জিলাৰ শ্বাফি হ'ল এনে এগৰাকী উপভোক্তা, যিয়ে কয়-এই কল্যাণকামী আঁচনিৰ বাবে মই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰোঁ। ৰুকছানা কুশৰ নামৰ আন এগৰাকী উপভোক্তাই কয়-আমি আগতে অত্যন্ত দুৰ্দশাৰ মাজেৰে জীৱন যাপন কৰিব লাগিছিল। কিন্তু এই আৱাসগৃহৰ বাবে এতিয়া আমাৰ জীৱনধাৰণৰ মান উন্নত হৈছে। আঁচনিখনৰ অধীনত এতিয়ালৈকে ২.২৫ কোটিৰো অধিক আৱাসগৃহ নিৰ্মাণ কৰা হৈছে।

## ভাৰ্চুৱেল সমাৱৰ্তনত আইআইটি বম্বে'ৰ নতুন উদ্ভাৱন

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আইআইটি, বম্বে'ৰ ২০১৮ চনৰ সমাৱৰ্তন অনুষ্ঠানত মানৱতাৰ সেৱাৰ বাবে নতুন উদ্ভাৱন কৰিবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। তেওঁৰ এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই প্ৰতিষ্ঠানখনে নিজৰ মৰ্যাদা অটুট ৰাখি কৰোনা ভাইৰাছ মহামাৰীৰ সময়ছোৱাত এক ভাৰ্চুৱেল সমাৱৰ্তনৰ আয়োজন কৰে। এই



অনুষ্ঠানত শিক্ষাৰ্থীসকলক ডিগ্ৰীৰ চাৰ্টিফিকেট প্ৰদানকে ধৰি সকলো কাৰ্যসূচী স্বাভাৱিকধৰণে কৰা হৈছিল, কিন্তু সকলো ভাৰ্চুৱেলী সম্পন্ন হৈছিল। ব্লেকষ্টন'ৰ চিইঅ' ষ্টিফেন ৰাটছমেন আৰু নবেল বঁটা বিজয়ী সাহিত্যিক ডানকান এম হালডানেই অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰি কৈছিল যে এই অনুষ্ঠানটোৰ পৰা সমগ্ৰ বিশ্বই শিকিবলগীয়া আছে। সময়ৰ পৰিৱৰ্তনৰ সৈতে ভাৰতৰ উদ্ভাৱন খণ্ড শক্তিশালী ৰূপত আগুৱাই গৈছে।

## মহামাৰীৰ সময়ত চৰকাৰী আঁচনিয়ে আগবঢ়াইছে সহায়




মহামাৰীৰ বিষয়ে অৱগত নোহোৱা ৰাঁচীৰ পুষ্পা চৌধাৰীয়ে লকডাউনৰ ঠিক পূৰ্বে জন ধন একাউণ্ট মুকলি কৰিছিল আৰু মহামাৰীৰ সময়ত ই তেওঁৰ বাবে সহায়ৰ হাত হৈ পৰে। তেওঁ কয়, 'যেতিয়া মই তিনি মাহৰ বাবে ৫০০টকাকৈ লাভ কৰিছিলো, মোৰ বাবে এয়া অত্যন্ত আনন্দদায়ক আছিল।' মহামাৰী কৰোনা ভাইৰাছে দেশত আতংকৰ সৃষ্টি কৰাৰ সময়ত জয়পুৰৰ মহেন্দ্ৰ সিং প্ৰজাপতিয়ে প্ৰধানমন্ত্ৰী এছভিএনিধি আঁচনিৰ অধীনত এটা ঋণ লাভ কৰে আৰু কিষাণ সন্মান নিধিৰ অধীনত কৃষকসকল উপকৃত হয়। মহাৰাষ্ট্ৰৰ আকোলাৰ হৰিদাস পেগামে কয় যে কৰোনাৰ প্ৰাদুৰ্ভাৱৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত লাভ কৰা ধনখিনিৰে তেওঁ কীটনাশক আৰু জৈৱিক সাৰ ক্ৰয় কৰিব পাৰিছে। এইদৰে উপভোক্তাসকলে প্ৰধানমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। ■



**Narendra Modi** @narendramodi ·
Pradhan Mantri Matsya Sampada Yojana will transform the fisheries sector. This scheme brings with it investments worth Rs. 20,050 crores, which is the highest ever in the history of the fisheries sector. PMMSY will add strength to the efforts of building an Aatmanirbhar Bharat.



**Rajnath Singh** @rajnathsingh ·
The induction of Rafale is a strong message for the world and especially for those who challenge India's sovereignty. The induction is a very important step in light of the prevailing security conditions that prevail, or I would say, that have been created along India's borders.



**Amit Shah** @AmitShah ·
To bring a transformational change in civil services, cabinet today approved #MissionKarmayogi. I thank PM @NarendraModi ji for this visionary reform. This holistic & comprehensive scheme will focus on individual aswell as institutional capacity building.



**Nitin Gadkari** @nitin_gad...
Under the leadership of PM Shri @narendramodi ji, Ministry of Road Transport and Highways has surpassed its target for construction of National Highways in the country During April to August this year. #PragatiKaHighway



**Narendra Singh Tomar** @nst...
Dear farmers, beware of lies being spread by the opposition parties related to farm bills.

Indian farmers of 21st centaury will cultivate and sell their produce freely without any restrictions.



**Dr Harsh Vardhan** @drharshv...
In India, a major focus has been on facilitating the development of #COVID19 vaccine. More than 30 vaccine candidates have been supported which are in different stages of development, 3 candidates are in advanced stage of Phase I/II/III trials.



PM: NEP nation's policy, not govt's

Modi says NEP needs to be implemented collectively as it lays emphasis on passion, practicality and performance

PM: E-delivery platform for street vendors in the works

Govt urges citizens to come forward for Covid-testing

World listening to India more, says PM

Modi says the media industry of the country needs to go global like other sectors

India tests scramjet tech for hypersonic missiles, is 4th in club

PM-Kisan norms eased for Covid, TN probes Rs 110 cr fraud, 18 held

Tech holds key to scale up use of solar energy: PM

PM launches Matsya Sampada Yojana, says scheme will double fish exports in 3-4 years

MODI LAUNCHES PROJECTS TO BOOST FISHERIES SECTOR, HAILS BIHAR CM NITISH

Modi, Abe may discuss future of bullet train project

India-Japan Summit likely later this week; date yet to be announced

RNI REGD . DELASS/2020/78827
October 01-15, 2020

NEW INDIA SAMACHAR FORTNIGHTLY

RNI Registered No DELASS/2020/78827 Delhi Postal License No DL (S)-1/3547/2020-22
WPP No U(S)-95 posting at BPC, MEGHDOOT BHAWAN, New Delhi-110 001.
On 26-30 advance Fortnightly **(Publishing Date September 23, 2020, Pages-44)**



আত্মনিৰ্ভৰশীলৰ ধাৰণা আৰু বিদেশী সামগ্ৰী বৰ্জনৰ সিদ্ধান্ত স্বদেশী আন্দোলনৰ সৃষ্টি আছিল, যি স্বাধীনতা সংগ্ৰামৰ সময়ত এক শক্তিশালী অস্ত্ৰ হৈ পৰিছিল। যতৰ ব্যাপক ৰূপত জনপ্ৰিয় হৈ পৰিছিল আৰু খাদী দেশীয় আন্দোলনৰ বস্ত্ৰ হিচাপে চিহ্নিত হৈছিল।

গান্ধীজীয়ে খাদী বস্ত্ৰক স্বাধীনতা আৰু আত্মনিৰ্ভৰশীলতাৰ এক প্ৰতীক হিচাপে গণ্য কৰিছিল। ভাৰত চৰকাৰৰ ‘মেক ইন ইণ্ডিয়া’ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ‘আত্মনিৰ্ভৰ ভাৰত’ৰ সাহসী ধাৰণাই স্বদেশী আন্দোলনৰ উদ্যমকে প্ৰতিফলিত কৰে।

“মোৰ বাবে খাদী হ’ল ভাৰতীয় মানৱতাৰ একতা আৰু ইয়াৰ অৰ্থনৈতিক স্বাধীনতা আৰু সমতাৰ প্ৰতীক”

মহাত্মা গান্ধী

Assamese

**Published & Printed by: Satyendra Prakash**, DG, BOC on behalf of Bureau of Outreach and Communication

**Editor: Kuldeep Singh Dhatwalia**, PDG, PIB, New Delhi

**Published from Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at:** VIBA Press (P) Ltd. C-66/3, Okhla Industrial Area, Phase-II, New Delhi-110020